# জনগণতান্ত্ৰিক মঞ্চ

# অসম

# FORUM FOR PEOPLES' DEMOCRACY

## ASSAM

# ঘোষণা পত্ৰ

OKDISCD

# জনগণতান্ত্ৰিক মঞ্চ

## Forum for peoples Democracy

[ক] অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্য আৰু দেশৰ অন্যান্য ৰাজ্যত আজি আৰ্থ-সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক সকলো ক্ষেত্ৰতে বিদেশী শক্তিৰ অৱদমন, শোষণ আৰু নিষ্পেষণৰ প্ৰাবল্য বাঢ়িছে। দুনীতিয়ে খুলি খুলি খোৱা ভাৰতৰ শাসক বৰ্গই দেশখনৰ জন-সাধাৰণ আৰু নিষ্পেষিত জাতিসমূহক নেতৃত্ব দিয়াৰ ক্ষেত্ৰত যোগ্যতা যিদৰে হেৰুৱাই পেলাইছে, যিদৰে জোৰা-তাপলি মৰা ব্যৱস্থা এটা জীয়াই ৰাখিবলৈ প্ৰচেষ্টা কৰা হৈছে, অতীজতে কেতিয়াও এনে হোৱা নাছিল। দেশৰ জন-সাধাৰণ আৰু বিভিন্ন অবিকশিত আৰু অনুন্নত জাতি-সত্বাৰ সমস্যাসমূহ সমাধান কৰাত ব্যৰ্থ হোৱা দেশৰ শাসক বৰ্গক বিদ্ৰোহ, সন্ত্ৰাস, পৰিবৰ্তনমুখীতা আদিয়ে প্ৰকৃততে আতংকিত কৰি তুলিছে। বিশেষ ভাৱে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ জন-সাধাৰণ আৰু অবিকশিত জাতিসত্বাসমূহৰ তীব্ৰ ক্ষোভ আৰু আন্দোলনমুখী ভূমিকাই দিল্লীৰ শাসক বৰ্গক অতিকে শংকিত কৰি তুলিছে। গতিকে, অঞ্চলটোত জাপি দিয়া হৈছে নিৰ্বাচিত চৰকাৰ থকা সত্বেও এক অদ্ভুত অগণতান্ত্ৰিক অৱদমনৰ ব্যৱস্থা। গণতান্ত্ৰিকভাৱে নিৰ্বাচিত চৰকাৰৰ লগে লগে এটা সমান্তৰাল সামৰিক শাসন চলি থকাৰ ফলত অঞ্চলটোৰ বিভিন্ন ঠাইত সৃষ্টি হৈছে মৰিশালিৰ অৱস্থা।

আন্তৰ্জাতিক, দেশীয় আৰু আঞ্চলিক পৰিস্থিতি সঠিক ভাৱে অধ্যয়ণ কৰিলে ব্যৰ্থতাৰ অনিবাৰ্য পৰিণতিস্বৰূপে আমি দেখা পাওঁ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক তথা মানৱীয় অধিকাৰ ৰক্ষী আন্দোলনসমূহতো ভাটা আহি পৰিছে নাইবা সঠিক পথেদি আগবঢ়া নাই। প্ৰকৃততে ধীমান ব্যক্তিসকলেও এটা সঠিক পথ প্ৰদৰ্শনৰ বাবে একনিষ্ঠভাৱে কামত লাগি থকা আমাৰ চকুত পৰা নাই। এনে এটা অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি আমি এটা শক্তিশালী সংগঠন গঢ়ি তোলাৰ প্ৰয়োজন অনুভৱ কৰিছো। এই সংগঠনৰ উদ্দেশ্য হ'ল — উল্লেখিত সকলো আৰ্থ-সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক তথা পৰিবৰ্তনৰ পদ্ধতিগত সমস্যাসমূহৰ ক্ষেত্ৰত মুক্ত, নিৰপেক্ষ, যুক্তিনিৰ্ভৰ অধ্যয়ণ কৰা আৰু যথাৰ্থ কামৰ বাবে সমাজৰ নিষ্পেষিত, পথহীন শ্ৰমিক, কৃষক, অৱহেলিত জাতিসত্বাৰ লোকসকলক অনুপ্ৰাণিত আৰু সংগঠিত কৰা।

বহুতৰে মনত প্ৰশ্ন উঠিব পাৰে যিটো কাম এটা শক্তিশালী ৰাজনৈতিক দলেহে কৰিব পাৰে সেই কামটো এটা নতুন সংগঠনে কিয় কৰিবলৈ বিচাৰিছে? এনে প্ৰশ্ন অমূলক নহয়, কাৰণ সমাজৰ গতিশীল আৰু পৰিবৰ্তনকামী অংশক সংগঠিত কৰি এটা সঠিক ৰাজনৈতিক দলেহে বৈপ্লৱিক পৰিবৰ্তনৰ বাবে সঠিক কাম কৰিব পাৰে।

OKDISCD

আমি ভাবোঁ বৰ্তমান এটা সঠিক দল আৰু সংগঠনৰ বাবে অসম, উত্তৰ-পূৰ্বাঞ্চলকে ধৰি ভাৰতৰ মানুহে গভীৰ ভাৱে চিন্তা কৰিব লগা হৈছে। প্ৰকৃততে সঠিক তত্ব অবিহনে সঠিক কামো হ'ব নোৱাৰে আৰু নিজৰ তথা সমাজৰ বিভিন্ন সংগঠনৰ কৰ্মৰ সঠিক বিশ্লেষণ অবিহনে সঠিক তত্বৰো বিকাশ হ'ব নোৱাৰে। বৰ্ত্তমান আমি বিবেচনা কৰিছো যে সঠিক তত্বৰ অভাৱত সমাজৰ বিভিন্ন পৰিবৰ্তনকামী সংগঠনৰ কামবোৰ হয় বেবেৰিবাং হৈছে, নাইবা মুজুৰা মাৰিছে। ঠিক্ ওলোটা ভাৱে নিজৰ কাম-কাজৰ ভুল-ভ্ৰান্তি আঁতৰাবৰ বাবে সঠিক আত্মসমালোচনা আৰু শুধৰণিমূলক কামৰ অভাৱত জনগণৰ হিতৰ বাবে চিন্তা কৰা ভাল সংগঠনো বিপথে পৰিচালিত হৈছে।

এই সকলোবিলাক দিশৰ প্ৰতি লক্ষ্য ৰাখি বৰ্ত্তমান আমি এক অবিৰত তত্বগত আৰু আদৰ্শগত বিষয়বোৰৰ ওপৰত বিশদ আলোচনা, বিশ্ব তথা দেশৰ আৰ্থ-সামাজিক অৱস্থাৰ বিজ্ঞানসন্মত আলোচনা, ভাৰতৰ সকলো অবিকশিত আৰু মুক্তিকামী জাতি তথা জনগোষ্ঠীৰ আন্দোলনসমূহৰ সঠিক পৰ্যালোচনা, বিভিন্ন সংগঠনৰ কাম-কাজৰ পৰ্যালোচনা, বিভিন্ন দল তথা সংগঠনৰ কৰ্মসূচী (Call of Action বা Programme) ৰ ওপৰত বিশদ আলোচনা তথা মূল্যায়ণ, অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বিশেষ পৰিস্থিতিত বিভিন্ন দল আৰু সংগঠনে কৰা কাম-কাজৰ মূল্যায়ন, অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ সমস্যা সমূহৰ বিশদ পৰ্যালোচনা আৰু কৰণীয় কাম সম্পৰ্কে আলোচনা কৰাত বিশেষ গুৰুত্ব আৰোপ কৰিছোঁ। আমাৰ ধাৰণা--এইবোৰ কামৰ জৰিয়তেহে এটা সঠিক পথৰ অনুসন্ধান কৰা আৰু এক যথাৰ্থ আঁচনিৰ ভিত্তিত ঐক্যবদ্ধ ভাৱে আগবঢ়াটো সম্ভৱ হ'ব।

সেয়েহে, আমি এখন জনগণতান্ত্ৰিক সমাজ গঢ়াৰ উদ্দেশ্য আগত ৰাখি এটা সংগঠন গঢ়ি তোলাৰ সিদ্ধান্ত গ্ৰহণ কৰিছোঁ। জনগণতান্ত্ৰিক (Peoples Democracy) বুলি কওঁতে আমি শোষণকাৰী জনতাৰ তন্ত্ৰ অৰ্থাৎ প্ৰকৃত গণতন্ত্ৰক বুজাইছোঁ। শোষণকাৰী পুঁজিপতি আৰু ব্যৱসায়ী, মাটিৰ মালিক মহাজন শ্ৰেণী তথা বিভিন্ন ঠগ শ্ৰেণীবোৰৰ নিয়ন্ত্ৰণত থকা বৰ্তমানৰ গণতন্ত্ৰই যে জনতাক প্ৰকৃত কল্যাণ দিব পৰা নাই সেই কথাত আমাৰ কাৰো সন্দেহ নাই। আমাৰ যুঁজখন সেয়ে শ্ৰমিক কৃষক আৰু কাম কৰি খোৱা ৰাইজৰ সপক্ষে আৰু সেই ৰাইজৰ হাতত প্ৰকৃত ক্ষমতা থকা গণতন্ত্ৰ। জনগণৰ নিষ্পেষিত অংশ, বিভিন্ন নিষ্পেষিত জাতি আৰু জনগোষ্ঠীৰ হাতত প্ৰকৃত আৰ্থ-সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক ক্ষমতা প্ৰতিষ্ঠা কৰিবৰ বাবে, অৰ্থাৎ প্ৰকৃত অৰ্থত ৰাইজেই সকলো ক্ষমতা অৰ্জন কৰিব পৰা এটা ব্যৱস্থা গঢ়ি তোলাৰ উদ্দেশ্যে সঠিক চিন্তাৰ প্ৰসাৰ ঘটোৱাই হ'ব আমাৰ সংগঠনৰ উদ্দেশ্য।

এই ক্ষেত্ৰত আমি ভিন্ন মত থকাসকলৰ সকলো চিন্তা, কথা আৰু কৰ্মৰ প্ৰতি শ্ৰদ্ধা সহকাৰে ঐক্যৰ হাত আগবঢ়াম আৰু ৰাইজৰ বৃহত্তৰ ঐক্য গঢ় দিয়াৰ পক্ষে

OKDISCD

কাম কৰিম।

আমাৰ এই সংগঠনটোৰ সকলো কথা থোৰতে মুক্ত ভাৱে দাঙি ধৰাৰ উদ্দেশ্য আগত ৰাখি স্থানীয়, দেশীয়, আন্তৰ্জাতিক, আৰ্থ-সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক প্ৰশ্নসমূহৰ যথাযথ আলোচনা কৰাৰ প্ৰয়োজন বোধ কৰিছোঁ। আমি আশা ৰাখিছোঁ -- আমাৰ আলোচ্য বিষয়বোৰৰ ওপৰত মুক্ত, যুক্তিসন্মত আলোচনা কৰাৰ জৰিয়তে সমগ্ৰ অসমতে জন-সাধাৰণে মুক্ত চিন্তা-চৰ্চা আৰু কৰ্মৰ এক বাতাবৰণ গঢ়ি তুলিব আৰু সকলো ধৰণৰ স্বৈৰতন্ত্ৰী, শোষণভিত্তিক ব্যৱস্থাৰ বিৰুদ্ধে ঐক্যবদ্ধ ভাৱে কাম কৰাৰ বাবে বুনিয়াদ ৰচনা কৰিব।

## [খ] ভাৰতীয় কমিউনিষ্ট আন্দোলন, এক চমু পৰ্যালোচনা ঃ

চি পি আই আৰু আৰ চি পি আই — এই দুটা দলৰ বাহিৰেও ভাৰতৰ সাম্যবাদী আন্দোলনত কেবাটাও সমাজতান্ত্ৰিক লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি কাম কৰা দল আছে। এই দলবোৰৰ ভিতৰত চি পি আই (এম-এল) ৰ কেইটামান গোটক বাদ দি বাকী সকলো দলেই নিৰ্বাচনী পদ্ধতিৰে শাসন ক্ষমতা দখলৰ পদ্ধতিকে সাৰোগত কৰি লৈছে; এই বিষয়ে সুকীয়া আলোচনাৰ থলো বৰ্তমান নাইকিয়া হৈছে। জন-সাধাৰণৰ শ্ৰমিক আৰু কৃষক শ্ৰেণীক সন্মিলিত কৰি, শ্ৰেণী সচেতন শক্তিত পৰিণত কৰাৰ জৰিয়তে ৰাইজৰ শক্তিৰ ভেঁটি প্ৰতিষ্ঠা কৰাৰ সলনি এই দলবোৰে মূলতঃ নিৰ্বাচনত অংশ গ্ৰহণ কৰাৰ জৰিয়তে সাংসদ আৰু বিধায়কৰ সংখ্যা বঢ়োৱাতহে অধিক মনোযোগ দিছে। ফলস্বৰূপে পুঁজিপতি ব্যৱসায়ী তথা অন্যান্য মধ্যবিত্ত শ্ৰেণীৰ দলবিলাকৰ লগত সমাজতান্ত্ৰিক আৰু সাম্যবাদী নামধাৰী দলবিলাকৰ মৌলিক পাৰ্থক্য নাইকিয়া হৈ পৰিছে। নিৰ্বাচনত হৰা বা জিকাটো হৈ পৰিছে প্ৰধান চিন্তাৰ বিষয়।

১৯৪৮ চনত অবিভক্ত কমিউনিষ্ট দলৰ সশস্ত্ৰ সংগ্ৰামৰ ঘটনাটো আছিল সেই সময়ৰ যুগোশ্লাভ কমিউনিষ্ট পাৰ্টীৰ অনুপ্ৰেৰণাৰ ফল। অতি সোনকালেই, তেনে দলৰ বিপ্লৱী কৃষকসকলৰ সংগ্ৰামী ভূমিকাক নস্যাৎ কৰি এই দলে ৫১ চনত ভাৰতীয় পটভূমিত লেনিনৰ চিন্তাক কাৰ্যকৰী কৰাৰ নামত সম্পূৰ্ণ সংশোধনবাদী পথ গ্ৰহণ কৰিলে। চীন আৰু ৰাছিয়াৰ মাজত সমদূৰত্ব ৰক্ষাৰ নামত গঠিত চি পি আই (এম) দলেও চি পি আইৰ পথৰপৰা কৌশল তথা ৰণনীতিগত প্ৰশ্নত সুকীয়া অৱস্থান গ্ৰহণ কৰা নাছিল। ভাৰতীয় পুঁজিপতি শ্ৰেণী তথা মধ্যবিত্ত শ্ৰেণী আৰু এই শ্ৰেণীৰ প্ৰধান দল কংগ্ৰেছৰ প্ৰতি থকা নৰম দৃষ্টি ভংগীয়ে এই কমিউনিষ্ট দল দুটাৰ বৈপ্লৱীক তেজ প্ৰায় শূন্য কৰি পেলাইছে আৰু কংগ্ৰেছ দলৰ দ্বিতীয় সেনাবাহিনীৰ দৰে জনসংঘ আৰু ভাৰতীয় জনতা পাৰ্টীৰ বিৰুদ্ধে এটা দুৰ্বল মৰ্চা গঠন কৰাতে এই দল দুটাৰ কাৰ্যক্ৰমনিকা সীমাবদ্ধ ৰাখিছে। ইয়াৰ ফলস্বৰূপে ভাৰতৰ কমিউনিষ্ট দল দুয়োটাই শেষত

গৈ মধ্যমপন্থী জনতাদল (পূৰ্বৰ সমাজতন্ত্ৰীসকলৰ অৱশিষ্ট দল) তথা কং (ই) সতীৰ্থ বা সহযোগীত পৰিণত হৈছে। আনকি মধ্যমপন্থীসকলৰ সহযোগিতাত ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰত অংশ গ্ৰহণ কৰি এই দল দুটাৰ ভিতৰত অধিক সংশোধনবাদী চি পি আই দলে কেন্দ্ৰত মন্ত্ৰীসভাতো অংশ গ্ৰহণ কৰি আছে।

সমাজতান্ত্ৰিক লক্ষ্য আগত ৰখা কমিউনিষ্ট দলবিলাকৰ আতাইতকৈ ডাঙৰ দুৰ্বলতা হ'ল সুদীৰ্ঘ কাল ধৰি ছোভিয়েট কমিউনিষ্ট পাৰ্টীৰ পদাঙ্ক অনুসৰণ। ছোভিয়েট দেশৰ কমিউনিষ্ট দলে সমগ্ৰ ছোভিয়েট সংঘ আৰু ছোভিয়েট ৰাছিয়াৰ সমাজতন্ত্ৰ ধ্বংস কৰাৰ উপৰি লেনিনে প্ৰতিষ্ঠা কৰা কমিউনিষ্ট দলটো ধ্বংস কৰি দিয়াৰ পিছতো এই দুটা দলে এটা সঠিক সমালোচনা কৰাত ব্যৰ্থ হ'ল আৰু এটা সঠিক বিশ্লেষণ আগবঢ়োৱাত ব্যৰ্থ হ'ল।

এই কথা বহলাই নকলেও চলে যে চি পি আই আৰু চি পি আই (এম) দলৰ কৃষক আৰু শ্ৰমিকৰ বৈপ্লৱিক স্পৃহা ধ্বংসকাৰী সংশোধনবাদী নীতিৰ বিৰুদ্ধে যুঁজ কৰিবলৈ গৈ এদল সাম্যবাদী দৃষ্টিভঙ্গীসম্পন্ন লোকে চি পি আই (এম-এল) গঠন কৰিছিল। এই দলটোৰ গুৰিৰে পৰাই স্পষ্ট কিছুমান গুৰুত্বপূৰ্ণ আসোঁৱাহ আছিল। সেইবোৰ তলত উল্লেখ কৰা হ'ল ঃ

(এক) আৰম্ভনিতে এই দলটো আছিল গোপন। মুক্ত কাম-কাজে কৰ্মীসকলৰ মাজত সংশোধনবাদী প্ৰৱণতা সৃষ্টি কৰে বুলি এটা বদ্ধমূল ধাৰণা আছিল। ফলত বৈপ্লৱীক কাম আৰু গোপন ষড়যন্ত্ৰৰ মাজত পাৰ্থক্য হেৰাই গৈছিল। বিপ্লৱ শ্ৰমিক, কৃষক আৰু সাধাৰণ মানুহৰ নাৰ্য্য কৰ্ম — এই কথাটো মুক্তভাৱে কোৱাৰ পৰিৱেশ নাইকিয়া হৈছিল। ষড়যন্ত্ৰমূলক কাৰ্যত লিপ্ত হৈ শেষত দলৰ ভিতৰত মত-পাৰ্থক্য দূৰীকৰণৰ নামত ষড়যন্ত্ৰ আৰু হত্যা পৰ্যন্ত হৈছিল।

(দুই) আৰম্ভনিৰে পৰাই "শ্ৰেণী শত্ৰু খটম" [Amihilation of class Enemy] ৰ পথ গ্ৰহণ কৰা হৈছিল। প্ৰতিক্ৰিয়াশীল শ্ৰেণীক ৰাজনৈতিক আৰু আদৰ্শগত ভাৱে নিঃশেষ কৰা [Political and Ideological Amihilation of the class Enemy] ৰ ঠাইত "শাৰীৰিক খটম" (Physical Amihilation) ৰ নীতিয়ে বৈপ্লৱিক কৰ্মক হত্যাকাৰী কৰ্মলৈ ৰূপান্তৰিত কৰিছিল।

(তিনি) "চীনৰ পথেই আমাৰ পথ" — এই মতবাদ অন্ধভাৱে অনুসৰণ কৰিবলৈ গৈ এই দলে স্থানীয় পটভূমিত যে সুকীয়া আৰ্থ-সামাজিক আৰু ৰাজনৈতিক প্ৰেক্ষাপটত সুকীয়া নীতি গ্ৰহণ কৰা প্ৰয়োজন সেই কথাত দিব লগা গুৰুত্বৰ প্ৰতি অৱহেলা প্ৰদৰ্শন কৰিছিল। ইয়াৰ ফলত এক ক্ষতিকাৰক তত্বগত নিৰ্ভৰশীলতা (Theoritical Dependence) আৰু সস্তীয়া শ্লোগানধৰ্মিতাৰ বলি হৈছিল

OKDISCD

ভাৰতীয় বিপ্লৱীসকল।

(চাৰি) ভাৰতৰ বিশাল শ্ৰমিক শ্ৰেণী আৰু বিশাল ভাৰতৰ অবিকশিত - জাতিসত্বাৰ আন্দোলনক যথেষ্ট অৱহেলা কৰাৰ উপৰি মাত্ৰ ৪৫০ বৰ্গ কিল' মিটাৰমান এলেকাজোৰা উত্তৰ-বঙ্গৰ অঞ্চল এটাতে বৈপ্লৱিক অভ্যুত্থান আৰম্ভ কৰি এক প্ৰকাৰ সাহসৰ পৰিচয় দিলেও ই কোনো পধ্যে ৰণকৌশল আৰু ৰণনীতিৰ ফালৰ পৰা সঠিক পদক্ষেপ নাছিল। ই য়ে এক প্ৰকাৰ নৈৰাশ্যবাদ আৰু স্বতঃস্ফূৰ্ততাৰ ফলত মষিমূৰ হৈ যাব পাৰে তেনে এক বিপদৰ কথা দলে গুৰিতেই ভাবিব পৰা নাছিল।

অতি সীমিত অঞ্চলত, অতি আদিম অস্ত্ৰ-শস্ত্ৰৰে, তত্বগত ভাবে আসোঁৱাহপূৰ্ণ "শ্ৰেণী শত্ৰু খটম" কৰা পদ্ধতিৰে ভাৰতৰ সুসংগঠিত সেনাবাহিনীক শ্ৰমিক-কৃষকৰ ওপৰত জপিয়াই পৰিবলৈ একপ্ৰকাৰ আগতীয়া ভাৱে জোকাই লোৱাৰ ফলত স্বতঃস্ফূৰ্ততা অতি সোনকালে মাৰ গৈছিল।

"একছন স্কোৱাৰ্ড" (Action Squad) বা "গেৰিলা খটম" বাহিনীক দলৰ পৰা বিছিন্ন একোটা গোট হিচাপে কাম কৰিবলৈ দিয়া হৈছিল। দলীয় কমিটীৰ নিয়ন্ত্ৰণত নথকা বাবে এনে "একচন স্কোৱাৰ্ড" বিলাকে ক'ত, কি ধৰণে কি কাম কৰে --- সেই সম্পৰ্কে দলৰ নেতাসকলেও একো গম নোপোৱা অৱস্থা এটা সৃষ্টি হৈছিল। যদিও এই "একচন স্কোৱাৰ্ড" বিলাককে "গণ বাহিনী" (People's Army) বুলি অভিহিত কৰা হৈছিল, প্ৰকৃততে "গণ-বাহিনী"ৰ ওপৰত থকা দলীয় আদৰ্শগত আৰু প্ৰধান কৰ্তৃত্ব এই ক্ষেত্ৰত নাছিল। ফলত বন্দুকক দলে নিয়ন্ত্ৰণ কৰাৰ ঠাইত দলক বন্দুকে নিয়ন্ত্ৰণ কৰিবলৈ লৈছিল।

যদিও নক্সালবাৰী আন্দোলনৰ প্ৰধান নেতাগৰাকীয়ে ব্যক্ত কৰিছিল যে ভাৰতৰ বিপ্লৱ হ'ব সশস্ত্ৰ, ই চীনৰ পথ গ্ৰহণ কৰিব বা ৰাছিয়াৰ অক্টোবৰ বিপ্লৱৰ পথ পৰিহাৰ কৰিব, মাওজেদুং প্ৰদৰ্শিত গণ যুদ্ধৰ পথ গ্ৰহণ কৰিব, বাস্তৱ ক্ষেত্ৰত ইয়াৰ এটাও প্ৰকৃততে কৰা হোৱা নাছিল। সমাজ বিপ্লৱৰ মূল চালিকা শক্তি যে শ্ৰমিক সৰ্বহাৰা শ্ৰেণী, দুখীয়া কৃষক ইয়াৰ প্ৰধান সহযোগীহে — এই কথা পোনে পোনে অস্বীকাৰ কৰিছিল যদিও কাৰ্যতঃ মাও প্ৰদৰ্শিত কৃষক সমাজৰ গণযুদ্ধৰ পথো গ্ৰহণ কৰা হোৱা নাছিল। আনহাতে, ভাৰতৰ বৰ্তমান পটভূমিত গাওঁ অঞ্চলত, গণবাহিনীৰ ভেঁটি প্ৰতিষ্ঠাৰ জৰিয়তে সাম্ৰাজ্যবাদীৰ বিৰুদ্ধে পোনপটীয়া যুদ্ধ কৰাৰ পৰিবেশ আছে নে তাক মূল্যায়ন কৰা হোৱা নাছিল, যদি দলৰ নেতৃত্বত গণবাহিনীয়ে যুদ্ধ কৰেও তেন্তে বিশাল ভাৰতৰ শ্ৰমিক (যিসকল সংগঠিত আৰু তুলনামূলক ভাৱে সচেতন) শ্ৰেণীয়ে কি ভূমিকা ল'ব, জাতীয় মুক্তিকামী নগা, মণিপুৰী, মিজো আৰু অন্যান্য অনুন্নত জাতিসত্বা সমূহে কি ভূমিকা গ্ৰহণ কৰিব — সেইবোৰ কথা ভাৱি চোৱা হোৱা নাছিল। ইয়াৰ বিপৰীতে "একছন স্কোৱাৰ্ড" আৰু নগৰীয়া ক্ষুদ্ৰ মধ্যবিত্তৰ চৰিত্ৰ থকাসকলৰ ক্ষোভৰ ফলত

জন্মা তথাকথিত "একছন" বিলাকত মাত্ৰাধিক গুৰুত্ব দি এটা ঐতিহাসিক বৈপ্লৱীক প্ৰক্ৰিয়াৰ পৰা বিচ্যুতি ঘটা পথ অনুসৰণ কৰা হৈছিল। বিপ্লৱৰ নেতাসকলে কল-কাৰখানাৰ শ্ৰমিকসকলক গাওঁ অঞ্চলৰ দুখীয়া মানুহৰ লগত লগ হৈ বিপ্লৱ কৰিবলৈ নিৰ্দেশ দিছিল যদিও কাৰ্যতঃ এনে প্ৰক্ৰিয়া এটা ভাৰতৰ বৰ্তমান পটভূমিত গ্ৰহণযোগ্য হয়নে নহয় তাকো পৰীক্ষা আৰু মূল্যায়ণ কৰা হোৱা নাছিল। এই সকোলবিলাকেই হৈছিল বিপ্লৱী তত্ববিদ মাক্স, এংগেলছ, লেলিন, ষ্টেলিন, মাও জে দুং হো চিমিন তথা চে গুৱেভাৰ কথাবোৰ নুবুজাৰ ফলত। পটভূমিৰ লগত সংগতি নথকাকৈ কেৱল গেৰিলা বাহিনীয়ে ৰাইজক নেতৃত্ব দিব বুলি ভবাটো মাও জে দুঙৰ চিন্তা নাছিল, বৰং ই আছিল বৈপ্লৱীক তত্বৰ অতি সৰলীকৰণ। আনহাতে, দক্ষিণ আমেৰিকাৰ যিবোৰ সামৰিক "জুন্টা" শাসিত তথা অৰণ্যভৰা অবিকশিত ঠাইত গুৱেভাই যুদ্ধৰ গেৰিলা কৌশল উদ্ভাৱন আৰু ব্যৱহাৰ কৰিছিল, যি উচ্চ আদৰ্শেৰে "খটম" অভিযানৰ ঠাইত উচ্চ নৈতিক আদৰ্শৰিলোকৰ সেনা বাহিনী গঠনৰ জৰিয়তে গুৱেভাই জনগণৰ মাজত ভেঁটি প্ৰতিষ্ঠাৰ কথা ভাৱিছিল, বা কিউবান বিপ্লৱত যেনেদৰে উচ্চ বিপ্লৱী নৈতিকতাক প্ৰধান হাতিয়াৰ হিচাপে লৈ কৃষক সমাজক দলৰ লগত সংযুক্ত কৰা হৈছিল — তাৰ চিন মোকামো ভাৰতত দেখা পোৱা নগৈছিল। মাত্ৰ এক দূৰৱৰ্তী প্ৰতিধ্বনি হৈছিল মাও আৰু গুৱেভাৱাৰ বিপ্লৱত। প্ৰকৃততে মাও আৰু গুৱেভাৰ উভয়কে বুজাত নক্সালকাৰী ভাৰতীয় বিপ্লৱীসকল ব্যৰ্থ হৈছিল।

(পাঁচ) আতাইতকৈ ডাঙৰ ব্যৰ্থতা মাক্সবাদ বা লেনিনবাদ কিম্বা পৃথিৱীৰ আন বিপ্লৱীৰ তত্ববিলাক নুবুজাটো নহয়। দেশখনৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক অৱস্থা আৰু পৃথিৱীৰ আৰ্থ -ৰাজনৈতিক ধাৰাবিলাক নুবুজাটোহে ডাঙৰ ব্যৰ্থতা।

ভাৰতীয় বিপ্লৱীসকলে সুদীৰ্ঘ কাল ধৰি বিদেশৰ পৰা আমদানি কৰা তত্ব ভাৰতত কাৰ্যকৰী কৰাত অভ্যস্ত হোৱা বাবে, তেওঁলোকে দেশখনৰ বা পূৰ্বৰ ইংৰাজ অধিকৃত দক্ষিণ এছিয়াৰ পৰিস্থিতি নিজাভাৱে বিশ্লেষণ কৰাৰ প্ৰয়োজন বোধ কৰা নাছিল। ফলত ৰাছিয়া বা চীনৰ অৱস্থা, কিম্বা ভাৰতৰ অৱস্থাৰ বিশ্লেষণ বিদেশৰ নেতাসকলে যিদৰে দিয়ে ঠিক, সেইদৰেই ইয়াত গ্ৰহণ কৰা হৈছিল।

সমগ্ৰ বিশ্বতে পুঁজিপতিৰ যিদৰে এক শ্ৰেণীৰ সহযোগী (Collaborator) থাকে, ঠিক সেইদৰে ভাৰতৰ কমিউনিষ্ট বিপ্লৱীসকলৰ বুজন অংশ প্ৰকৃতাৰ্থত হৈ পৰিছিল বিদেশী কমিউনিষ্ট বা বিপ্লৱী দল কিম্বা গোটৰ সহযোগী। দেশৰ মাটিত স্বাধীন বিশ্লেষণৰ ভিত্তিত স্বাধীন দল হিচাপে এদল বিপ্লৱীক দেশৰ প্ৰকৃত বিশ্লেষণৰ আধাৰত কাম কৰিবলৈ অনুপ্ৰাণিত কৰিব পৰা নাছিল।

ইয়াৰ অনিবাৰ্য পৰিণতি স্বৰূপে আমি দেখা পালোঁ চীনত মাও জে ডুঙৰ মৃত্যু আৰু ৰাছিয়া তথা পূব ইউৰোপত কমিউনিষ্ট দল আৰু দেশৰ পতন হোৱাৰ পিছত

OKDISCD

ভাৰতীয় "সহযোগী" সকলৰ বেছি ভাগৰে অৱস্থা হৈ পৰিল ঠেৰু-ছিগাৰ দৰে। আনকি চি পি আই আৰু চি পি আই (এম) ৰ দৰে বৃহৎ দলৰ শক্তিশালী নেতাসকলেও বৰ্ত্তমান বিশ্বত হোৱা গুৰুত্বৰ পৰিবৰ্তন সমূহ, ছোৱিয়েট ৰাছিয়াত হোৱা পৰিবৰ্তন আদিৰ ক্ষেত্ৰত যথাযথ পৰ্যালোচনা আগবঢ়োৱাত ব্যৰ্থ হ'ল। বিদেশী বিপ্লৱী দলৰ তথাকথিত সহযোগীসকলে হয়তো নতুনকৈ কিছুমান সমন্বয়ৰক্ষী সমিতি গঠন কৰি পুনৰ কাম-কাজ আৰম্ভ কৰিছে নাইবা চি পি আই, চি পি আই (এম)ৰ দৰে নিৰ্বাচনী যুঁজত অংশ গ্ৰহণ কৰিছে।

এই কথা বহলাই নকলেও চলে যে এখন সমাজত এটা ৰাজনৈতিক বিশ্লেষণেইহে আৰ্থ-সামাজিক ক্ষেত্ৰত প্ৰকৃতাৰ্থত সঠিক হ'ব পাৰে। শ্ৰমিক কৃষকৰ স্বাৰ্থত কাম কৰা দলৰ ক্ষেত্ৰত সেয়ে এটা বিশ্লেষণেই সম্পূৰ্ণ সঠিক হ'ব পাৰে। এটা শক্তিশালী দল গঠনৰ বাবে এটা বিস্তৃত আৰু সঠিক বিশ্লেষণ প্ৰকৃততে প্ৰয়োজন। কিন্তু ভাৰতত দেশীয় আৰু আন্তৰ্জাতিক পটভূমিৰ বিশ্লেষণ প্ৰতিটো দল আৰু গোটেই ভিন্ন ভিন্ন ভাৱে কৰাৰ অনিবাৰ্য পৰিণতি স্বৰূপে আমি দেখা পাওঁ বহু দল (কমিউনিষ্ট নামত) আৰু বহু নতুন নতুন গোটৰ গঠন। মধ্যবিত্ত সুলভ নেতৃত্বৰ মোহ আৰু দেশীয় আৰু আন্তৰ্জাতিক পটভূমি বিশ্লেষণত আসোঁৱাহ আৰু পাৰ্থক্য, বৈপ্লৱীক পৰিবৰ্তনৰ পদ্ধতিৰ ক্ষেত্ৰত মতানৈক্য আদিৰ বাবে নানা গোট আৰু দল সৃষ্টি হৈছে। তথা নতুন নতুনকৈ তেনে গোট আৰু দল সৃষ্টি হৈ গৈ থকাৰ প্ৰক্ৰিয়াও বন্ধ হোৱা নাই। এইটো অতি জটিল হতাশাব্যঞ্জক অৱস্থা। এই অৱস্থাৰপৰা পৰিত্ৰাণ পাবলৈ সঠিক, নিৰপেক্ষ আৰু সাহসী পৰ্যালোচনা আৰু প্ৰচেষ্টাৰ আজি প্ৰয়োজন অনস্বীকাৰ্য।

**অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজনীতি ঃ সোঁপন্থী, বামপন্থী, আঞ্চলিক, সশস্ত্ৰ —**

**-**

উত্তৰ পূৰ্বাঞ্চলৰ আৰ্থ-সামাজিক অৱস্থাৰ লগত সঙ্গতি ৰাখি আজি উত্তৰ পূৰ্বাঞ্চল তথা অসমৰ ৰাজনীতিৰ বিষয়েও চৰ্চা কৰাৰ থল আছে। উত্তৰ-পূৰ্বাঞ্চল আৰু অসমত অৰ্থনৈতিক স্বাৰ্থ থকা শ্ৰেণীসমূহেই সাধাৰণতে অঞ্চলটোত বিভিন্ন ৰাজনৈতিক দল তথা শক্তি গা কৰি উঠাত প্ৰভাৱ বিস্তাৰ কৰে। বৃহৎ ভাৰতীয় পুঁজিপতি শ্ৰেণী, ভাৰতীয় পটভূমিত সাম্ৰাজ্যবাদী স্বাৰ্থৰ বিস্তাৰ বিচৰা সাম্ৰাজ্যবাদী প্ৰতিষ্ঠানসমূহ আৰু দেশৰ তথা অঞ্চলটোৰ স্বাৰ্থজড়িত মহলৰ ভূমিকা এই ক্ষেত্ৰত মন কৰিবলগীয়া।

অসম আৰু উত্তৰ পূৰ্বাঞ্চলত কংগ্ৰেছে সদায় দেশী-বিদেশী সাম্ৰাজ্যবাদী শক্তি, থলুৱা উদ্যোগী আৰু ব্যৱসায়ী শ্ৰেণী আৰু গাওঁ অঞ্চলৰ চহকী কৃষক তথা মধ্যবিত্তশ্ৰেণীৰ বুজন অংশৰ প্ৰতিনিধিত্ব কৰি আহিছিল।

১৯৭৮ চনত বিদেশী অনুপ্ৰৱেশ বিৰোধী অসম আন্দোলন তীব্ৰ ৰূপত মূৰ দাঙি উঠাৰ আগলৈকে আমি অসমৰ মধ্যবিত্ত শ্ৰেণীৰ গৰিষ্ঠ অংশক কংগ্ৰেছৰ লগতে দেখা

OKDISCD

পাওঁ। অসম আন্দোলনে অসমৰ জংগী মধ্যবিত্ত শ্ৰেণীক এটা সুকীয়া গোট হিচাপে শক্তিশালী ৰূপত মূৰ দাঙি উঠাত সহায় কৰিলে, এই গোটটো কংগ্ৰেছমুখী, ভাৰতীয় জনতা পাৰ্টীমুখী নে মৰ্চামুখী বা বামপন্থী দলৰ গা-ঘহোঁৱা হ'ব সেই টো নিৰ্ণীত হৈছে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত থকা পৰিবেশৰ ওপৰত। যিহেতু মধ্যবিত্ত শ্ৰেণীৰ উগ্ৰ অংশ এটা দলটোৰ লগত আবেগিক ভাৱে জড়িত হৈ আছে, গতিকে এই অংশটোৰ আবেগ-অনুভূতিক উলাই কৰি অসম আন্দোলনৰ নেতাসকলে কোনো এটা ভূমিকা গ্ৰহণ কৰাৰ সম্ভাৱনা নাই। যদিও কংগ্ৰেছ আৰু অগপ দলৰ মূল শ্ৰেণী ভিত্তি একেটাই তথাপি অগপ দলে দেখাত আবেগিক ভাৱে থলুৱা অসমীয়া মানুহৰ স্বাৰ্থৰক্ষাকাৰীৰ ভূমিকা গ্ৰহণ কৰিছে। আৰু কং(ই) দলে ভাৰতীয় স্বাৰ্থৰ ত্ৰাণকৰ্তাৰ ভূমিকা গ্ৰহণ কৰি আহিছে।

ভাৰতীয় স্বাৰ্থৰ ত্ৰাণকৰ্তাৰ ভূমিকা গ্ৰহণ কৰা ভাৰতীয় জনতা পাৰ্টীৰ শ্ৰেণীভিত্তি অসমত কিছু বিশেষ ধৰণৰ। এই দলত এফালে ভাৰতীয় ব্যৱসায়ী শ্ৰেণী অসমত স্থায়ীভাৱে থাকিব খোজা হিন্দু বঙালী (ক্ষুদ্ৰ ব্যৱসায়ী আৰু মধ্যবিত্ত) আৰু থলুৱা একাংশ অসন্তুষ্ট উচ্চ বৰ্ণবাদী লোকৰ ভীৰ। সাধাৰণ হিন্দুত্বৰ আবেগেৰে পৰিচালিত দলটোত মূলতঃ উক্ত তিনি শ্ৰেণীৰ লোক ভীৰ কৰাৰ বাবে আন দুটা শক্তিশালী দল কংগ্ৰেছ আৰু অগপৰ মূল প্ৰত্যাহ্বান হিচাপে ভাৰতীয় জনতা পাৰ্টী এতিয়াও শক্তিশালী হ'ব পৰা নাই। বিদেশী আৰু দেশী বৃহৎ গোষ্ঠীবিলাকে অসমত এতিয়াও হয় দ্বিতীয় কংগ্ৰেছ, নহয় অসম গণ পৰিষদকে পৃষ্ঠপোষকতা কৰে।

কমিউনিষ্ট নামধাৰী দল ভাৰতীয় কমিউনিষ্ট দল, (মাক্সবাদী) ভাৰতীয় কমিউনিষ্ট পাৰ্টী, আৰ চি পি আই আৰু চি পি আই (এম-এল)ৰ বিভিন্ন গোট বৰ্ত্তমান ছিন্ন-ভিন্ন, আদৰ্শগত ভাৱে অপুষ্ট আৰু সাংগঠনিক ভাৱে নেগুৰবৃত্তিত লিপ্ত। চি পি আই দল পোনপটীয়া ভাৱে অসম গণ পৰিষদৰ মিত্ৰ আৰু চি পি আই (এম) দল আওপকীয়া ভাৱে এই দলৰ সহযোগী। গতিকে দল দুটাই ভৱিষ্যত বিকাশৰ পথত শ্ৰমিক-কৃষক শ্ৰেণীৰেই একমাত্ৰ প্ৰতিনিধি বুলি দাবী কৰাৰ থল ক্ৰমান্বয়ে শেষ হৈছে। আনহাতে অসমৰ বাবে সাংবিধানিক সুৰক্ষা তথা স্বনিয়ন্ত্ৰণৰ অধিকাৰৰ প্ৰশ্নত দল দুটাই এতিয়াও অস্পষ্ট স্থিতি গ্ৰহণ কৰি আছে, তথা এটা পৰিবৰ্তনোন্মুখ অৱস্থাত আছে এই প্ৰসংগত। ভৱিষ্যতে আলফা তথা অন্য সশস্ত্ৰ সংগঠনৰ ভূমিকা শক্তিশালী হ'লে এই পৰিবৰ্তনোন্মুখ তথা ভাঙোনমুখী ভূমিকা অধিক প্ৰকট হোৱাৰ সম্ভাৱনা আছে।

চি পি আই (এম-এল) দলৰ মূল গোট দুটা। এটা আৰ্মকা (পি চি চি) আৰু আনটো লিবাৰেছন গোট। দুয়োটা গোটৰে কিছু সংখ্যক অনুগামী অসমৰ বিভিন্ন স্থানত আছে। অসমৰ শ্ৰমিক-কৃষকৰ মুক্তিকামী আন্দোলন আগবঢ়াই নিয়াৰ ঘোষিত লক্ষ্য দুয়ো দলৰে আছে যদিও দুয়ো দলেই জনজাতি আন্দোলন তথা আদিবাসী আন্দোলনৰ

OKDISCD

ক্ষেত্ৰত কিছু ভিন্ন আৰু সুবিধাবাদী ভূমিকা গ্ৰহণ কৰা দেখা যায়। চি পি আই (এম-এল) ৰ এটা গোষ্ঠীয়ে প্ৰথমে আৰ্মকা (United Reservation Movement Council of Assam) গঠন কৰি প্ৰথম এক সংৰক্ষণবাদী (Reservationist) আৰু সংশোধনবাদী (Revisionist) আন্দোলনৰ নেতৃত্ব দি অসম আন্দোলনবিৰোধী প্ৰতিশক্তি গঢ় দিছিল। এই সংৰক্ষণবাদী শব্দটো পৰিহাৰ কৰি পিছলৈ আন্দোলনটোক এটা "বিপ্লৱী" (URMCA) বিশেষণ দিয়া হ'ল আৰু ১৯৯১ -৯২ চনৰ পৰা আলফাতকৈ উগ্ৰভাৱে স্বাধীন, সাৰ্বভৌম অসমৰ শ্লোগান দিয়া দেখা গ'ল। আনহাতে, জনজাতি আন্দোলনৰ ক্ষেত্ৰত আৰ্মকাই মিছিং, বড়ো, চাহ-জনগোষ্ঠী আদিক অসমীয়া সমাজখনৰ পৰা একোট সুকীয়া অস্তিত্ব থকা গোট হিচাপে গঢ়ি তোলাত নেতৃত্ব ললে! অসমৰ তথাকথিত উগ্ৰ জাতীয়তাবাদীসকলক দুৰ্বল কৰিবৰ বাবে, বা তেওঁলোকৰ সতে বামুন আৰু কলিতাৰ নেতৃত্ব ঠানবান্ কৰিবৰ বাবেই এই কাৰ্য কৰিছে যদিও ইয়াৰ পৰিণাম স্বৰূপে জনজাতি আন্দালনে এক উগ্ৰ, উচ্চ বৰ্ণ বিৰোধী ৰূপ পৰিগ্ৰহণ কৰিছে। বড়ো আৰু মিছিঙৰ শিক্ষিত শ্ৰেণীৰ উগ্ৰ অংশটোৱে এই দলক পৰিহাৰ কৰি এনে এটা 'নিস্কাষণমুখী" ভূমিকা গ্ৰহণ কৰিলে যে শেষত এই দলৰ আদিবাসী চাওতাল আৰু জনজাতি আন্দোলনকাৰীসকলৰ মাজত ঐক্যৰ সেঁতু ৰক্ষা কৰাতে দলটো ব্যৰ্থ হ'ল। চি পি আই (এম-এল)ৰ আনটো গোষ্ঠীয়েও জনজাতিসকলক স্বনিয়ন্ত্ৰিত কৰাৰ দাবীৰ প্ৰতি সহাৰি দি মিছিং, কাৰ্বি, তিৱা আদিৰ মাজত কাম কৰি থকা দেখা যায়। আৰ্মকাৰ দৰে এওঁলোকেও বিভ্ৰান্তিকৰ বিশ্লেষণেৰে অসমীয়া সমাজৰ পৰা জনজাতিসকলক বিছিন্ন কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। আৰু জনজাতিসকলক অজনজাতি নেতৃত্বৰ এটা প্ৰতি কল্প হিচাপে গঢ় দিয়াৰ প্ৰচেষ্টাও কৰা দেখা যায়। কাৰ্বিৰ সুকীয়া ৰাজ্য দাবী কমিটী আৰু টি পি এফ গঠনত তথা আদৰ্শগত নেতৃত্ব প্ৰদানত এই দলটোৱে ভূমিকা মুখ্য।

সশস্ত্ৰ সংগ্ৰামী আলফা, এন, এচ, চি এন, এন ডি এফ বি, (বি এছ এফ) আদি সংগঠনৰ মাজত ১৯৯৬ চনত এটা নতুন বুজা পৰা গঢ় লৈ উঠাটো পৰিলক্ষিত হয়। গণতান্ত্ৰিক আন্দোলন কৰা বা নকৰাৰ প্ৰশ্নত কোনো দীৰ্ঘম্যাদী বিতৰ্ক আদৰ্শগত পৰ্যায়ত নচলাৰ পৰিপ্ৰেক্ষিতত এই স্বনিয়ন্ত্ৰণবাদী সংগঠনসমূহৰ কাম-কাজ মূলতঃ অস্ত্ৰ-সংগ্ৰহ, ধন সংগ্ৰহ আৰু শত্ৰু শ্ৰেণীক নিধন কৰাৰ মাজতে সীমাবদ্ধ দেখা যায়। সুদীৰ্ঘ কাল ধৰি নিষিদ্ধ অৱস্থাত আত্মগোপন কৰি থকাৰ ফলত এই সংগঠন সমূহৰ গণভিত্তি কি সেই সম্পৰ্কে স্পষ্ট ভাৱে ক'ব পৰা ভিত্তি নাই। তথাপি সংযুক্ত মুক্তি বাহিনী, অসমে ১৯৯১ চনৰ পিছৰ কালছোৱাত কংগ্ৰেছ চৰকাৰৰ প্ৰবল আক্ৰমনৰ সন্মুখীন হৈ গণতান্ত্ৰিক সংগঠন কিছুমানৰ জৰিয়তে প্ৰতিবাদী, মানৱতাৰক্ষী আন্দোলনত লিপ্ত হোৱা দেখা যায়। শেহতীয়াভাৱে এই সংগঠনে বন্ধ, নিষ্পদীপ, ৰণধ্বনি আদি কাৰ্যসূচী পালন

OKD ISCD

কৰি — মূলতঃ গণতান্ত্রিক আন্দোলনৰ ধাৰা অনুসৰণ কৰা দেখা যায় যদি সশস্ত্র গোটসমূহ এই সংগঠনৰ এতিয়াও সক্রিয়।

সশস্ত্র সংগ্রামী স্বনিয়ন্ত্রণবাদী সংগঠনৰ মূল ভিত্তি, শিক্ষিত যুৱক সমাজ। এই শ্রেণীৰ শ্রেণীগত চৰিত্র যিহেতু শ্রেণীচ্যুত (Dellaned) হোৱাৰ ওপৰত, আদৰ্শগত আৰু ৰাজনৈতিক শিক্ষাৰ ওপৰত নিৰ্ভৰশীল। এই উপাদানবোৰ ইতিবাচক হিচাপে নাপালে সশস্ত্র বিপ্লৱী ধাৰাটো আত্মঘাতী হোৱাৰ ভীতি বিদ্যমান । তথাপি, বাৰে বাৰে আৰক্ষী আৰু সশস্ত্র সেনাৰ দ্বাৰা আক্রান্ত এই সংগঠনৰ কৰ্মী তথা নেতৃবৃন্দ নিজৰ অভিজ্ঞতাৰ সাৰ-সংকলন কৰি শুদ্ধ পথেদি আগবাঢ়িব বুলি আশা কৰাৰ থল আছে।

কমিউনিষ্ট আত্মগোপনকাৰী গোটসমূহৰ কাৰ্যৰ পৰ্যালোচনা কৰোঁতে আমি এই কথা উল্লেখ কৰিছো যে আত্মগোপন হৈ থকাৰ পদ্ধতিটোৱেই এনে সংগঠনৰ প্রধান বাধা হিচাপে দেখা দিয়ে; অহৰহ সেনা আৰু আৰক্ষীৰ দ্বাৰা আক্রান্ত হোৱাৰ ফলত। বৈধ গণতান্ত্রিক আন্দোলনৰ প্রতি প্রথমৰে পৰা অনাস্থা প্রকাশ কৰাৰ ফলত এনে সংগঠনে শেষত আশ্রয় আৰু গণভিত্তিৰ অভাৱত ভুগিব লগা হয়। গণতান্ত্রিক বা বৈধ আন্দোলনৰ পথ গ্রহণ বা এনে আন্দোলনক সৰ্বোচ্চ পৰ্যায়লৈ নিয়াৰ প্রয়োজনীয়তা এনে সংগঠন সমূহত এতিয়াও বিতৰ্কৰ বিষয় হৈ আছে। ভাৰত তথা অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ বিশেষ পটভূমিত এনে পদ্ধতিসমূহ গ্রহণৰ জৰিয়তে ৰাইজৰ মুক্তিকামী আকাংক্ষাক কিদৰে গঢ় দিব পৰা যায় আৰু কিদৰে জাতীয় মুক্তিকামী আৰু শোষিত শ্রেণীৰ মুক্তিকামী আন্দোলনৰ মাজত সমন্বয় প্রতিষ্ঠা কৰিব পৰা যায় সেইটো এতিয়াও প্রধান তথ্যগত আৰু প্রায়োগিক প্রশ্ন।।

## [গ] (ক) আন্তৰ্জাতিক পটভূমি ঃ

আন্তৰ্জাতিক ক্ষেত্রত হোৱা পৰিবৰ্তন সমূহৰ যথাযথ বিজ্ঞানসন্মত পৰ্যালোচনা অবিহনে বৰ্ত্তমান বিশ্বত আমি অকলশৰে, বিছিন্ন ভাৱে আগবাঢ়ি যোৱাৰ কোনো সম্ভাৱনা যিদৰে নাই, ঠিক সেইদৰে এনে পৰিবৰ্তন সমূহৰ সঠিক আঁত ধৰিব নোৱাৰিলে আমি আন্তৰ্জাতিক ক্ষেত্রত শত্রু-মিত্র বিচাৰ কৰাৰ আৰু দেশীয় পটভূমিত আৰ্থ-সামাজিক, ৰাজনৈতিক তথা সাংস্কৃতিক সমস্যাবোৰ বুজাৰো কোনো সম্ভাৱনা নাই।

সাম্রাজ্যবাদক পুঁজিবাদৰ সৰ্বোচ্চ স্তৰ বুলি কোৱা হয়। সাম্রাজ্যবাদৰ যুগত পুঁজি ৰপ্তানি পণ্য ৰপ্তানি, বজাৰ দখল, বজাৰ দখলৰ বাবে সামৰিক দখলী যুদ্ধ তথা সামৰিক শক্তিৰ ব্যৱহাৰ আৰু আন্তৰ্জাতিক বিভাজন সম্ভৱ হয়। কিন্তু সাম্রাজ্যবাদৰ যিবোৰ লক্ষণ ১৯২০ চনৰ আগতে, অৰ্থাৎ ৰুছ বিপ্লৱৰ মূল প্রৱক্তাসকলৰ তাত্বিক ভিত্তি লেনিনৰ সময়ত ফুটি উঠিছিল বৰ্তমান ঠিক সেই স্তৰতে থকা নাই।

ৰুছ বিপ্লৱৰ যুগত সাম্রাজ্যবাদী দেশবোৰৰ আভ্যন্তৰীণ ক্ষেত্রত পুঁজিৰ কেন্দ্রীকৰণ

তথা একচেতিয়া পুঁজিপতিৰ বিকাশ, দেশীয় পুঁজিৰ চামিলকৰণ (Ammalgamation of National Capital) আৰু সাংগঠনিক ভাৱে দেশৰ ভিতৰত পুঁজিপতি শক্তিৰ ভেটি প্রতিষ্ঠা হৈছিল। উপনিবেশ ((Colony) সমূহ স্থাপন হৈছিল যদিও এইবোৰত সাম্রাজ্যবাদী দেশৰ পুঁজিপতি সকলে প্রত্যক্ষ শাসন, সামাৰিক অৱদমন আৰু বজাৰ দখলৰ জৰিয়তে শোষণ চলাইছিল। পুঁজিবাদী প্রতিষ্ঠান সমূহৰ মূল ভেটি আছিল ৰাষ্ট্ৰীয় সীমাৰ ভিতৰত, তাৰ পৰাই পণ্য আৰু পুঁজি ৰপ্তানি কৰিবৰ বাবে তেওঁলোক ঢাপলি মেলিছিল আন্তৰাষ্ট্ৰীয় বজাৰলৈ। এই পর্যায়ত আন্তঃৰাষ্ট্ৰীয় বজাৰ (International Market) বুলি কওঁতে ৰাষ্ট্ৰীয় বজাৰ (National Market) বিলাকৰ সুকীয়া অস্তিত্ব তাৰ মাজতে মানি লোৱা হৈছিল। পুঁজিবাদী প্রতিষ্ঠান বা উদ্যোগীসকল আছিল এনে অৱস্থাত ৰাষ্ট্ৰীয় বা দেশীয় পুঁজিপতি (National Capitalist)। ৰাষ্ট্ৰীয় বেংক, ৰাষ্ট্ৰীয় সেনাবাহিনী, ৰাষ্ট্ৰীয় চৰকাৰে এই ৰাষ্ট্ৰীয় পুঁজিপতিসকলক আন দেশত শোষণ চলোৱাত সহায় কৰিছিল।

বর্তমান এই অৱস্থাৰ পৰা পুঁজিবাদী সংগঠন আৰু সাম্রাজ্যবাদী ৰাষ্ট্ৰবোৰৰ উন্নতি ঘটিছে। প্ৰকৃততে দ্বিতীয় বিশ্ব যুদ্ধৰ আগৰ পৰাই পুঁজিৰ আন্তর্জাতিকৰণ আৰু পণ্যৰ আন্তর্জাতিকৰণৰ ফলত দেশীয় পুঁজিপতি সকলে আন্তর্জাতিক বা গোলকীয় পর্যায়ত শিপা মেলিবলৈ আৰম্ভ কৰিছিল। কিন্তু দ্বিতীয় বিশ্ব যুদ্ধৰ সম-সাময়িক ভাৱে বিশ্ববেংক, আন্তর্জাতিক মুদ্ৰানিধি গঠন হোৱাৰ আগলৈকে আন্তর্জাতিক পর্যায়ত পুঁজিৰ চামিলকৰণ (International Ammalgamation of Finace Capital) সম্ভৱ হোৱা নাছিল। এফালে পুঁজিবাদী একচেটিয়া প্রতিষ্ঠানবোৰে বিশ্বৰ বিভিন্ন দেশত নিজৰ শাখা (Subsidiary) বিলাক প্রতিষ্ঠা কৰি এনে এটা পর্যায়লৈ গতি কৰিলে যে বহুৰাষ্ট্ৰত শিপা মেলি থকা প্ৰষ্ঠিানটোক পূৰ্বৰ দৰে এখন ৰাষ্ট্ৰৰ পুঁজিপতি বুলি কোৱাটো অসুবিধাজনক হৈ পৰিল। বৃহৎ বহুৰাষ্ট্ৰীয় প্ৰতিষ্ঠানবিলাকৰ চৰিত্ৰ হৈ পৰিল গোলকীয় (Global)। এই বিলাকে নিজৰ পিতৃদেশৰ উপৰি বিশ্বৰ সকলো দেশতে শাখা প্রতিষ্ঠান খুলি, শাখাবোৰৰ জৰিয়তে বিশ্বৰ বিভিন্ন দেশৰ পুঁজিপতি শ্ৰেণীক অংশীদাৰ (Share holder) কৰি এনে এটা ব্যৱস্থা গঢ়ি তুলিলে — যিটো প্ৰথম মহাসমৰৰ পূৰ্বৰ বা প্ৰথম মহাসমৰৰ পৰা দ্বিতীয় মহাসমৰৰ ভিতৰৰ কালছোৱাৰ ৰাষ্ট্ৰীয় পুঁজিপতিৰ নিয়ন্ত্রণত থকা পুঁজিবাদী দেশৰ অর্থনৈতিক অৱস্থাৰ লগত খাপ নাখায়।

বহুৰাষ্ট্ৰীয় প্রতিষ্ঠানসমূহৰ বহুৰাষ্ট্ৰীয় বা গোলকীয় চৰিত্ৰটো এফালে প্রতিষ্ঠানটোৰ দৈত্যাকাৰ আৰু আনফালে ইয়াৰ অংশীদাৰী প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। দৈত্যাকাৰ হোৱা বাবে ই পৃথিৱীৰ বৰ বৰ দেশ একোখনকো ভয় কৰিব নলগা অৱস্থা এটালৈ আহিছে। আনহাতে অংশীদাৰী প্ৰকৃতিৰ বাবে ই শাখা প্রতিষ্ঠান থকা দেশবোৰৰ পুঁজিপতিশ্ৰেণীক বা এই শ্ৰেণীৰ এটা অংশক নিজৰ সতীৰ্থ কৰি লবলৈ সক্ষম হৈছে।

অৰ্থাৎ ইয়াৰ বৃহৎ আকাৰ আৰু অংশীদাৰী প্ৰকৃতিৰে ই এক গোলকীয় সাংগঠনিক ৰূপ লৈছে। আজিৰ সাম্ৰাজ্যবাদৰ মূল সাংগঠনিক ভিত্তি এই বৃহৎ বহুৰাষ্ট্ৰীয় প্ৰতিষ্ঠানসমূহ।

আনহাতে, এই যুগৰ বহুৰাষ্ট্ৰীয় বা গোলকীয় বজাৰখনৰ সমস্যাবোৰ চম্ভালি লবৰ বাবে বিত্তীয় ক্ষেত্ৰত চামিলকৰণ হৈছে বুলি আমি উল্লেখ কৰিছো। বাণিজ্যৰ সাম্ৰাজ্যবাদী সমস্যাবোৰ সমাধান কৰিবৰ বাবে আই এম এফ (IMF) আৰু দীৰ্ঘম্যাদী গোলকীয় বিনিয়োগৰ সমস্যা চম্ভালি লবৰ বাবে বিশ্ববেংক প্ৰতিষ্ঠা হৈছে। এই দুয়োটা প্ৰতিষ্ঠানেই হ'ল গোলকীয় পুঁজিবাদী ব্যৱস্থা শক্তিশালী কৰিবৰ বাবে পুঁজিবাদী দেশবোৰে গঢ়ি তোলা বিত্তীয় চামিলকৰণৰ জৰিয়তে গঢ়ি তোলা গোলকীয় বিত্তীয় ভিত্তি। এই দুয়োটা প্ৰতিষ্ঠানে প্ৰকৃতাৰ্থত ব্যক্তিগতখণ্ডৰ পুঁজিবাদৰ বিকাশৰ বাবে কাম কৰিবলৈ যাওঁতে বহুৰাষ্ট্ৰীয় গোলকীয় প্ৰতিষ্ঠানবিলাকৰেই স্বাৰ্থ ৰক্ষা কৰে।

এই যুগৰ বাণিজ্য, আন্তৰ্জাতিক বিনিয়োগ তথা প্ৰযুক্তি কৌশলগত বিনিময়, ৰাজনৈতিক আৰু সাংস্কৃতিক বিনিময় আৰু সম্প্ৰসাৰণ সকলোতে বহুৰাষ্ট্ৰীয় প্ৰতিষ্ঠানবোৰৰ প্ৰভাৱ যিদৰে বিদ্যমান, ঠিক সেইদৰে আন্তৰ্জাতিক ৰাজনীতিৰ ক্ষেত্ৰতো বহুৰাষ্ট্ৰীয় প্ৰতিষ্ঠানবোৰৰ প্ৰভাৱ বিদ্যমান। ৰাষ্ট্ৰসংঘ, নিৰাপত্তা পৰিষদ আদিৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াই আনকি মূলতঃ আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইয়াৰ সহযোগী দেশসমূহৰ দ্বাৰা প্ৰভাবান্বিত হয়। বহুৰাষ্ট্ৰীয় প্ৰতিষ্ঠান সমূহে আমেৰিকা, ইংল্যাণ্ড, জাৰ্মানী, ফ্ৰান্স, জাপান, ইটালী আৰু কানাডা আদি দেশৰ ওপৰত থকা প্ৰভাৱৰ জৰিয়তে সমগ্ৰ বিশ্বকে প্ৰকৃতাৰ্থত নিয়ন্ত্ৰণত ৰাখিবলৈ সক্ষম হৈছে। ছোভিয়েট ৰাষ্ট্ৰপুঞ্জৰ বিভাজন আৰু বিলুপ্তিৰ পিছত এই সাম্ৰাজ্যবাদী শিবিৰটো হৈ পৰিছে হৰ্তা-কৰ্তা বিধাতা, প্ৰকৃতাৰ্থত বিশ্বৰ শাসক।

পুঁজিবাদী বিশ্বত এই পৰিবৰ্তনবোৰ হোৱা যুগত আমি দেখা পালোঁ বিগত পয়সত্তৰ বছৰ ধৰি বিশ্বৰ আনটো বৃহৎ শক্তি ৰাছিয়াৰ পতনৰ অবিশ্বাস্য ইতিহাস। অথচ আমি দেখা পাওঁ যে বিগত সাত দশকতকৈও অধিক কাল ধৰি ৰাছিয়া আৰু ইয়াৰ সমীপৱৰ্তী দেশবোৰত ৰাছিয়াৰ কমিউনিষ্ট পাৰ্টীৰ নেতৃত্বত সমাজবাদৰ ভেঁটি প্ৰতিষ্ঠা কৰা হৈছিল। সমাজবাদী পদ্ধতিৰে ৰাছিয়াক বিকাশৰ পথেদি অতি দ্ৰুত গতিৰে উন্নত কৰিবলৈ চেষ্টা কৰা যে হোৱা নাছিল সেইটো নহয়; কিন্তু ৰাছিয়া আৰু সমীপৱৰ্তী দেশসমূহত যুদ্ধকালীন ক্ষিপ্ৰতাৰে সাম্যবাদ প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে পুৰণি সামন্ততন্ত্ৰ আৰু পুঁজিবাদৰ উপাদনসমূহ সম্পূৰ্ণ ধ্বংস কৰা হোৱা নাছিল। বৰং ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান বিলাক (State Enterprise), সামৰিক বাহিনী, আমোলাতন্ত্ৰ আৰু স্বয়ং কমিউনিষ্ট দলৰ মাজতে এই উপাদান বিলাকে শিপা মেলিছিল। গতিকে একালৰ "সাম্যবাদী ৰাছিয়া" সত্তৰ বছৰ সামৰিক আমোলাতান্ত্ৰিক শাসনৰ তলত থকাৰ পিছত আমোলাতান্ত্ৰিক

OKDISCD

আৰু অনুৎপাদনশীল ৰাছিয়াত পৰিণত হ'ল।

এনে এটা দিন আহিল যিদিনা সাম্যবাদী দলৰ নিয়ন্ত্রণত থকা ৰাছিয়াক ক্ৰমান্বয়ে পুঁজিবাদী শ্ৰেণীৰ নিয়ন্ত্ৰণলৈ নিবৰ বাবে কমিউনিষ্ট দলৰ ভিতৰৰ পৰাই ষড়যন্ত্ৰ আৰম্ভ কৰা হ'ল। খ্ৰুশ্বফৰ দিনত তেনে প্ৰচেষ্টা চলোৱা হৈছিল যদিও তেনে প্ৰচেষ্টা সম্পূৰ্ণ ফলৱতী হ'ল গৰ্বাচেবৰ দিনতহে। গৰ্বাচেবে "পেৰেষ্ট্ৰইকা" বা পুনৰনিৰ্মাণৰ জৰিয়তে সমাজতন্ত্ৰ শক্তিশালী কৰাৰ নামত দ্ৰুতগতিৰে ৰাজহুৱা প্ৰতিষ্ঠানবোৰ প্ৰতিযোগিতামূলক ব্যক্তিগত খণ্ডলৈ হস্তান্তৰিত কৰাটো আৰম্ভ কৰিলে। প্ৰতিষ্ঠানবোৰ শক্তিশালী কৰাৰ নামত পুঁজিবাদী প্ৰতিযোগীতামূলক কৰাত গুৰুত্ব দিয়া হ'ল আৰু মুক্ত বা উদাৰ কৰাৰ নামত সাম্ৰাজ্যবাদী শক্তিবোৰক মুকলি ভাৱে প্ৰৱেশৰ অনুমতি দিয়া হ'ল। '৯০ চনৰ পিছত গৰ্বাচেৱৰ ৰাছিয়াত কমিউনিষ্ট দলটোক ভংগ কৰি দিয়া হ'ল, স্বয়ং গৰ্বাচেৱে ডিক্ৰী জাৰি কৰি দলটো নিষিদ্ধ কৰিলে আৰু ৰাছিয়াৰ পৰা সমাজতন্ত্ৰক বিদায় দিলে, লগে লগে বিদায় দিলে ছোৱিয়েট সংঘকো! প্ৰসংগতে এই কথা উল্লেখনীয় যে এই দেশখনক সামাজিক সাম্ৰাজ্যবাদী (Social Imperialist) বুলি আৰু বিশ্বৰ একমাত্ৰ প্ৰধান শত্ৰু বুলি এসময়ত (৬৭ৰ পিছৰ যুগত) চি পি আই (এম-এল) দলৰ দ্বাৰা আক্ৰমণ কৰা হৈছিল। এই "সামাজিক সাম্ৰাজ্যবাদী" বৃহৎ শক্তিটো কিন্তু তাছপাতৰ ঘৰৰ দৰে ঠান-বান্ হৈ গ'ল।

উল্লেখনীয় যে এই পেৰেষ্টইকা আৰু উদাৰ নীতিয়েই হ'ল ৰাছিয়াকে ধৰি অন্যান্য পূৰ ইউৰোপীয় কমিউনিষ্ট দেশবোৰৰ ধ্বংসৰ অনিবাৰ্য কাৰণ। ব্যক্তিগতকৰণ আৰু মুক্ত প্ৰতিযোগিতা আমদানিৰ বাবে কৰা ভ্ৰান্ত প্ৰচেষ্টা আৰু হুৰমুৰকৈ আমদানি কৰা বহুদলীয়া গণতন্ত্ৰই এইবোৰ দেশৰ মূল সমাজতান্ত্ৰিক ভেটিটোকে বিধ্বংস কৰিলে।

বিশ্বৰ যুক্ত মুক্ত বাণিজ্য আৰু উদাৰ গণতন্ত্ৰৰ এতিয়া মুখ্য প্ৰৱক্তা হ'ল আমেৰিকা যুক্তৰাষ্ট্ৰ। যুক্ত গণতান্ত্ৰিক তথা প্ৰতিদ্বন্দ্বিতামূলক পুঁজিবাদ মানেই হ'ল বিশ্ববেংক আৰু আই এম এফৰ পৃষ্ঠপোষকতা। এই ধামখুমীয়াত বৰ্তমান অৱশিষ্ট সমাজতান্ত্ৰিক দেশবোৰো সোমাই পৰিছে। ভাৰতো হৈ পৰিছে চামিল এই দুৰাৰোগ্য, মুক্ত, উদাৰ নীতিৰ বলিৰ পঠা স্বৰূপ।

## (খ) ভাৰতৰ অৱস্থা ঃ

দুই বৃহৎ শক্তিৰ যুঁজৰ থলী বিশ্বত ভাৰতৰ প্ৰৱণতা আছিল ৰাছিয়াৰ প্ৰতি ৰাছিয়াৰ লগত কুৰি বছৰীয়া শান্তি আৰু সহযোগিতাৰ চুক্তি কৰি ভাৰত আৰু ছোৱিয়েট ৰাছিয়াই এক সমদৃষ্টিৰ কেন্দ্ৰীভূত পৰিকল্পনা চলি থকা ৰাষ্ট্ৰীয় আমোলা তান্ত্ৰিক সমাজ এখন নিৰ্মাণ কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰ তথা বিশ্ববেংকে বিচৰা ধৰণৰ এইখন মুক্ত, ব্যক্তি প্ৰতিষ্ঠান কেন্দ্ৰিক প্ৰতিদ্বন্দিতামূলক সমাজ নাছিল। গতিকে এই সমাজখন ধ্বংস কৰিবৰ বাবে ইয়াতো এক পুনৰ নিৰ্মাণ আৰু উদাৰকৰণৰ এক আঁচনি দাঙি ধৰা হ'ল। ৰাজীৱ

গান্ধীৰ দিনৰ পৰাই যদিও এই উদাৰ তথা গোলকীয় নীতিৰ ওপৰত গুৰুত্ব দিয়া হৈছিল, তথাপি নৰসিংহ ৰাও আৰু মনমোহনসিং নেতৃত্বৰে অহাৰ আগলৈকে ইমান মুকলি ভাৱে ব্যক্তিগতকৰণৰ পক্ষে ওকালতি আৰম্ভ হোৱা নাছিল।

বৰ্তমান ভাৰতত উদাৰকৰণ আৰু ব্যক্তিগত কৰণৰ প্ৰধান প্ৰৱক্তা কংগ্ৰেছ দল আৰু আন এক ধৰণে ব্যক্তিগতকৰণৰ প্ৰধান সমৰ্থক ভাৰতীয় জনতা পাৰ্টী। কংগ্ৰেছ পাৰ্টীৰ দৰে মুক্তভাৱে বিদেশী পুঁজিৰ অনুপ্ৰৱেশত সমৰ্থন নজনালেও ভাৰতীয় জনতাপাৰ্টী উদাৰ আৰু মুক্ত প্ৰতিযোগিতাৰ সমৰ্থক। আনহাতে ভাৰতীয় জনতা পাৰ্টী হ'ল তথাকথিত দেশী পুঁজিবাদী প্ৰতিষ্ঠানবিলাকৰ স্বাৰ্থৰ প্ৰৱক্তা।

উদাৰকৰণ আৰু মুক্ত অৰ্থনীতিৰ প্ৰৱক্তা হিচাপে জনতা দল আৰু কমিউনিষ্ঠ পাৰ্টী (চি পি আই, চি পি আই (এম) কম জগৰীয়া নহয়। এই দলবোৰো মূলতঃ মুক্ত প্ৰতিদ্বন্দিতাৰ প্ৰৱক্তা।

উদাৰকৰণৰ জৰিয়তে ভাৰতীয় অৰ্থনীতিক বিশ্বৰ শক্তিশালী উদ্যোগিক আৰু ব্যৱসায়িক দানৱ (ছাৰ্ক)ৰ হাতত এৰি দিয়া সত্বেও ভাৰতৰ পুঁজিপতি শ্ৰেণীয়ে বিৰোধিতা কৰা নাই কিয়? এই প্ৰশ্নটোৰ উত্তৰ আমি ভাৰতীয় পুঁজিপতি শ্ৰেণীৰ চৰিত্ৰ আৰু কৰ্মকাণ্ড বিশ্লেষণ কৰিলেহে সহজবোধ্য হ'ব। ভাৰতৰ পুঁজিপতিসকলৰ এটা অংশই ইতিমধ্যে কিছু পুঁজি আহৰণ কৰি, বিশেষভাৱে দেশী আৰু বিদেশী প্ৰযুক্তিবিদ্যা আয়ত্ত কৰি ইতিমধ্যে বিশ্ব তথা ভাৰতৰ আন দেশৰ পুঁজিপতিসকলৰ যোগ্য প্ৰতিদ্বন্দী হ'ব পৰা মানসিক প্ৰস্তুতি অৰ্জন কৰিছে। টাটা, বিৰলা, ৰিলায়েন্স আদি উদ্যোগপতি সকলৰ বাহিৰেও দেশ আৰু বিদেশত বসবাস কৰা কিছুমান উদ্যোগীয়ে ইতিমধ্যে বহুৰাষ্ট্ৰীয় প্ৰতিষ্ঠান গঠন কৰি বিশ্বৰ একাধিক দেশত উদ্যোগ আৰু বাণিজ্য বিস্তাৰ কৰিছে। উদাহৰণ স্বৰূপে আমি প্ৰৱাসী ভাৰতীয় স্বাৰাজপালৰ কথা ক'ব পাৰোঁ। এই গোষ্ঠীয়ে ইতিমধ্যে ইংল্যাণ্ডৰ কেপাৰো (CAPARO) গোষ্ঠীৰ ওপৰত থকা নিয়ন্ত্ৰণৰ জৰিয়তে ইংলণ্ডৰ অত্যাধুনিক বৃহৎ তীখা উদ্যোগ হাতৰ মুঠিত ৰাখিছে। একেদৰে ভাৰতৰ বহু উদ্যোগী আৰু ব্যৱসায়ী ষ্টক মাৰ্কেটৰ কাম-কাজ আৰু পৰিচালনাৰ অৰ্হতাৰ ক্ষেত্ৰত বিশ্বৰ যিকোনো দেশৰ লগত ফেৰ মাৰিব পৰা হৈছে। ভাৰতৰ বিপুল জনশক্তিৰ পৰিচালনা (Management) সম্পৰ্কে জ্ঞান, বেংক আৰু ষ্টকমাৰ্কেটৰ ক্ষেত্ৰত অৰ্হতা, তথা দক্ষতা নিজৰ আত্মবিশ্বাসৰ মূল ভিত্তি।

তথাপি ভাৰতীয় উদ্যোগপতি একাংশই প্ৰথমৰে পৰা শংকা প্ৰকাশ কৰি আহিছে বিদেশীক মুক্ত প্ৰৱেশাধিকাৰ দিয়াৰ বাবে। "মোম্বাই গ্ৰুপ" নাম দি এচাম উদ্যোগপতিয়ে ১৯৯১ চনতে বিদেশীক দিয়া প্ৰাধান্যৰ বিৰোধিতা কৰিছিল। অতি ব্যাপক হাৰত বিদেশীক মুক্ত ভাৱে-প্ৰৱেশ কৰিবলৈ দিয়াৰ বিৰুদ্ধে আতাইতকৈ বেছি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অৱশ্যে বামপন্থী মহলে নহয়। আৰ এছ এছ আৰু ভাৰতীয় জনতা পাৰ্টী হৈ

পৰিছে "স্বদেশী" আন্দোলনৰ মূল প্ৰৱক্তা। বিদেশী আগ্ৰাসনৰ পৰা দেশী উদ্যোগ আৰু ব্যৱসায়ক ৰক্ষা কৰিবৰ বাবে ভাৰতৰ সোপন্থী ৰাজনৈতিক শক্তি যিমান তৎপৰ তাৰ তুলনাত তথাকথিত নৰমপন্থী, মধ্যমপন্থী আৰু বামপন্থীসকল মৌন। এই সকলে বিদেশীৰ দখল প্ৰতিষ্ঠা ভাৰতৰ ক্ষেত্ৰত অৱধাৰিত বুলি ধৰি লৈছে। বিশেষভাৱে ৰাছিয়া মুক্ত অৰ্থনীতিৰ কবলত পৰাৰ পিছত আৰু চীনত উদাৰ আৰু মুক্ত প্ৰতিযোগিতাক প্ৰথমৰে পৰাই আদৰি লোৱা বাবে ভাৰতৰ একাংশ বামপন্থীয়ে পূৰ্বৰ দৰেই অন্ধ আনুগত্য দেখুৱাই গৈছে বিদেশী বন্ধুসকলৰ প্ৰতি ভাৰতৰ পটভূমিত যে বিদেশীৰ মুক্ত প্ৰতিদ্বন্দ্বিতা কোনো কোনো ক্ষেত্ৰত উদ্যোগিক স্বাৰ্থ বিক্ৰী কৰাৰ দৰে ক্ষতিকাৰক হ'ব পাৰে তাক এতিয়াও গভীৰ ভাৱে পৰ্য্যালোচনা পৰা নাই। থোৰতে ক'বলৈ গলে তথাকথিত গোলকীয় (Globalisation) ৰ সাৰমৰ্ম বুজি ইয়াৰ বিৰুদ্ধে সৰ্বাত্মক গণ-আন্দোলন গঢ়ি তোলাত বামপন্থী দলবোৰে নেতৃত্ব গ্ৰহণ কৰিব পৰা নাই।

উদাৰকৰণৰ অনিবাৰ্য ফলস্বৰূপে নিবনুৱা সমস্যা, দৰিদ্ৰতা, দৰ বৃদ্ধিৰ হাৰ পূৰ্বতকৈ দ্ৰুত আৰু অবিৰত হাৰত বাঢ়িছে। বিদেশী শোষণৰ হাৰ বাঢ়িছে। চিকিৎসা, শিক্ষা, পৰিবহন, যোগাযোগ আৰু অন্যান্য সেৱামূলক ক্ষেত্ৰত হোৱা প্ৰতিদ্বন্দ্বিতা আৰু মুক্ত নীতিৰ কুপ্ৰভাৱৰ ফলত জন-সাধাৰণ নুন্যতম ৰাজহুৱা সেৱাৰ ক্ষেত্ৰতো হেঁচাৰ সন্মুখীন হৈছে আৰু ধীৰে ধীৰে ৰাছিয়াৰ দৰে এক নগ্ন প্ৰতিদ্বন্দ্বিতামূলক আৰু "যোগ্যং ভোগ্যং বসুন্ধৰা" জাতীয় পৰিস্থিতিৰ সৃষ্টি হৈছে।

## (গ) অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ পৰিস্থিতি ঃ

অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অৱস্থাই প্ৰকৃততে বিশেষ পৰ্য্যালোচনা আৰু কৰ্মসূচীৰ দাবী কৰে। কিন্তু ভাৰতীয় সাম্যবাদী আৰু প্ৰগতিশীল আন্দোলনত তথাকথিত ভাৰতীয় মহানগৰ কেন্দ্ৰিক (City Oriented) লক্ষণাক্ৰান্ত হোৱা বাবে তথা মধ্যবিত্ত ভাৰতীয় নেতৃত্বৰ আবেগ আৰু চেতনা মূলতঃ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি দৃঢ়ভাৱে সহানুভূতিশীল নোহোৱাৰ ফলস্বৰূপে এটা বাস্তৱসন্মত আৰু সামগ্ৰিক বিশ্লেষণ অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থ-সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক তথা মনস্তাত্বিক বিষয়সমূহৰ বৰ্ত্তমানলৈকে কোনেও কৰিব পৰা নাই। এটা সুকীয়া বিশ্লেষণৰ যে প্ৰয়োজন সেই কথাত বহুতে গ্ৰাহ্য কৰা নাই।

অসম আৰু উত্তৰ-পূৰ্বাঞ্চল তুলনামূলক ভাৱে মানৱ সম্পদৰ বাহিৰে অন্যান্য ক্ষেত্ৰত অধিক অনুন্নত, সেই কাৰণে সুকীয়া বিশ্লেষণ প্ৰয়োজন, সেই কথা গ্ৰহণযোগ্য নহয়। ভাৰতো তুলনামূলক ভাৱে অনগ্ৰসৰ দেশ। কিন্তু অসম অকল তুলনামূলক ভাৱে ভাৰতৰ বন্দৰ-মহানগৰ কেন্দ্ৰীক ৰাজ্যবোৰতকৈ অনুন্নত সেইটোৰেই কথা নহয়, অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ওপৰত চলা শোষণৰ ধৰণ আৰু মাত্ৰা অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ কৃষকৰ অৱস্থা, অসমৰ জনগোষ্ঠীবোৰৰ সুকীয়া মনস্তাত্বিক গঢ়

(Phychological Make-up) সম্পৰ্কেও সুকীয়া বিশ্লেষণৰ প্ৰয়োজন। সবাৰো উৰ্দ্ধত অঞ্চলটোৰ ঐতিহাসিক ৰাজনৈতিক ঘটনাক্ৰমৰ সুকীয়া বিশ্লেষণ কৰি জাতিসত্বাৰ সমস্যাটো কিদৰে সমাধান কৰিব সেই সম্পৰ্কে এটা সুকীয়া বিশ্লেষণ আৰু সমাধান আগবঢ়োৱা প্ৰয়োজন।

অসমৰ ঔদ্যোগিক-ব্যৱসায়িক অৱস্থালৈ লক্ষ্য কৰিলে আমাৰ চকুত পৰে যে উত্তৰ-পূৰ্বাঞ্চলৰ তুলনাত অসম উন্নত। আনহাতে ভাৰতৰ আন আন ৰাজ্যতকৈ অসমত বহু বেছি উদ্যোগ আছে। অসমত ভাৰতৰ শতকৰা পঞ্চাশ ভাগ আৰু সমগ্ৰ পৃথিৱীৰ প্ৰায় ২০-২৫ শতাংশ চাহ উৎপাদন হয়। ভাৰতৰ শতকৰা পঞ্চাশভাগ খাৰুৱা তেল মজুত আছে অসমত। সেইদৰে আছে প্ৰাকৃতিক গেছ আৰু কয়লা। কাঠভিত্তিক প্লাইউড উদ্যোগত অসম ভাৰতৰ ভিতৰত চহকী। তিনিটা সৰু শোধনাগাৰ, বৃহৎ কাগজ কাৰখানা, সাৰ কাৰখানা আদি অসমত আছে। কিন্তু তথাপি অসম দুখীয়া আৰু অসমীয়া শিক্ষিত শ্ৰেণীৰ মধ্যবিত্ত আৱেগ-অনুভুতি অতি ক্ষুব্ধ। ইয়াৰ কাৰণ — বিশ্লেষণ কৰিলে আমি দেখা পাওঁ যে অসমৰ ঐতিহাসিক ৰাজনৈতিক অৱস্থা ভাৰতৰ দৰে একে নহয়। ইংৰাজ অহাৰ আগলৈকে অসম এখন — প্ৰায় স্বয়ং সম্পূৰ্ণ, অনুন্নত অথচ স্ব-নিৰ্ভৰশীল আৰু বলিষ্ঠ ৰাষ্ট্ৰ আছিল। ইয়াত এটা সংগঠিত ব্যৱসায়ী আৰু উদ্যোগী শ্ৰেণী নাছিল। ৰাষ্ট্ৰই ব্যৱসায়-বাণিজ্য নিয়ন্ত্ৰণ কৰিছিল। ইয়াৰ অনিবাৰ্য ফলশ্ৰুতি স্বৰূপে ১৮২৬ চনৰ পিছত অসমলৈ ইংৰাজ অহাত অসমত ইংৰাজ চাহাবৰ লগতে আয়না, কাপোৰ আৰু বিভিন্ন উৎপাদিত সামগ্ৰীৰ বেপাৰ কৰা, অসমৰ কেঁচা সামগ্ৰী লুট কৰা ভাৰতীয় বেপাৰী, দালাল, গোমোস্তা শ্ৰেণীৰ প্ৰৱেশ ঘটিল। মাৰোৱাৰী, বঙালী, সিন্ধী, পঞ্জাৱী, তেলী আদি বিভিন্ন সম্প্ৰদায়ৰ বনিয়া, গোমোস্তা, ব্যৱসায়ী শ্ৰেণীয়ে ইংৰাজৰ সহযোগী হিচাপে অসমৰ নগৰ আৰু গাওঁ অঞ্চল দখল কৰি পেলালে। ইংৰাজৰলগতে অহা এনে ব্যৱসায়ী, উদ্যোগী আৰু অন্যান্য মধ্যবিত্ত সহযোগী (Collaborates) শ্ৰেণীয়ে নগৰত ব্যৱসায় প্ৰতিষ্ঠান আৰু গাঁৱে গাঁৱে গোলা খুলি লুট কৰিবলৈ লাগি গ'ল। গোৱালপাৰা, ধুবুৰী, গুৱাহাটী, নগাওঁ, তেজপুৰ, যোৰহাট, ডিব্ৰুগড়, তিনিচুকীয়া আদি ঠাইবোৰ হৈ পৰিল এই ভাৰতীয় ব্যৱসায়ী, উদ্যোগী, মধ্যবিত্ত শ্ৰেণীৰ মূল ঘাটি। এই নগৰীবোৰত এনে ইংৰাজৰ সহযোগী শ্ৰেণীয়ে একোখন কল'নী পাতি থাকিবলৈ লোৱাৰ ফলতে অসমত সৰু-বৰ নগৰবোৰ হৈ পৰিল এনে শোষক-ব্যৱসায়ী আৰু উদ্যোগীৰ ঘাটি স্বৰূপ। অসমত ইংৰাজৰ দিনত এটা সংগঠিত মধ্যবিত্ত-উদ্যোগী শ্ৰেণী নথকা কাৰণে আমি দেখা পালো অসমৰ চালুকীয়া ঔদ্যোগিক আৰু ব্যৱসায়িক অৰ্থনীতি উল্লিখিত ভাৰতীয় উদ্যোগী আৰু ব্যৱসায়ী শ্ৰেণীৰ হাতলৈ গ'ল। ১৮২৬ চনতে আৰম্ভ হোৱা এই ঔপনিবেশিক প্ৰক্ৰিয়া আৰু বন্ধ নহ'ল। প্ৰসঙ্গতঃ উল্লেখযোগ্য যে এই ব্যৱসায়ী উদ্যোগী মধ্যবিত্ত শ্ৰেণীৰ দখলীয়ানা থকা নগৰ মহানগৰ অঞ্চলেই অসমখন অৰ্থনৈতিকভাৱে

লুণ্ঠন কৰা মূল কেন্দ্ৰ হৈ আছে।

গাঁও অঞ্চলত থকা "গোলা" তথা ব্যৱসায় প্ৰতিষ্ঠানবিলাকৰ জৰিয়তে এতিয়াও ধান, সৰিয়হ, মৰাপাট, আদি শস্যৰ বজাৰখন এই ব্যৱসায়ী শ্ৰেণীটোৱে নিয়ন্ত্ৰণ কৰি আছে।

এই ব্যৱসায়ী শ্ৰেণীটোৰ প্ৰধান লক্ষণ হ'ল ইয়াৰ "এজেন্ট"ৰ চৰিত্ৰ। ভাৰতৰ বৃহৎ বৃহৎ মহানগৰত উৎপাদন হোৱা সামগ্ৰীবোৰ এই "এজেন্ট" বিলাকে অসমৰ নগৰবিলাকলৈ আমদানি কৰে, বিক্ৰী কৰে আৰু মুনাফা লুটে। ইয়াৰ বিপৰীতে অসমৰ কাঠমিল, ধান কল, ইটা ভাটাৰ পৰা আৰম্ভ কৰি সৰু-সুৰা উদ্যোগ, ঠিকা আদি এওঁলোকে নিয়ন্ত্ৰণ কৰে। এই শ্ৰেণীয়ে নিয়ন্ত্ৰণ কৰে অসমৰ চাহউদ্যোগৰ বুজন ভাগ, প্লাইউড কাৰখানা তথা অন্যান্য উদ্যোগৰ মূল চাবি-কাঠি এই শ্ৰেণী হাতত।

১৯৫০-৫১ চনত ভাৰত চৰকাৰে অনুসৰণ কৰা তথাকথিত বৃহৎ উদ্যোগকেন্দ্ৰিক বিকাশৰ নীতি সামগ্ৰিক ভাৱে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ক্ষতিকাৰক। ১৯৫০-৫১ চনৰ পৰা অতদিনে অসম তথা ভাৰতত যিমান ৰাজহুৱা বিনিয়োগ হ'ল সেয়া ভাৰতৰ সমস্ত ৰাজহুৱা ঔদ্যোগিক বিনিয়োগৰ মাত্ৰ ১.৫%ৰো কম। অথচ ভূমি ভাগৰ আয়তন ভাৰতৰ ৪ শতাংশ। অসমৰ থলুৱা উদ্যোগপতিয়ে সন্মিলিত ভাৱে অসমৰ নগৰ, মহানগৰ আৰু গাওঁ অঞ্চলত সৰু-বৰ উদ্যোগ খুলি প্ৰায় ডেৰশ বছৰীয়া ভাৰতীয় উদ্যোগী আৰু ব্যৱসায়ী শ্ৰেণীৰ আধিপত্য গুছাব নোৱাৰে। এইটো হ'ল অসমৰ সকলো জনগোষ্ঠীৰে শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ মনত সৃষ্টি হোৱা ক্ষোভৰ এটা মূল কাৰণ। দীৰ্ঘকালীন শোষণৰ ফলত এই ক্ষোভ দিনে দিনে বাঢ়িছেহে।

অসমৰ কৃষিৰ ক্ষেত্ৰত আমি দেখা পাওঁ ইংৰাজ অহাৰ পূৰ্বে জমিদাৰী তথা মৌজাদাৰী প্ৰথা নাছিল। পাইক প্ৰথাত বিষয়াবৰ্গই সামাজিক প্ৰতিপত্তিৰ বাবে সুবিধাভোগী হোৱাৰ সুযোগ আছিল যদিও জমিদাৰ হিচাপে এক স্থায়ী ক্ষমতা অৰ্জনৰ সুবিধা আছিল সীমিত। ইয়াৰ ফল স্বৰূপে আহোম ৰাজতন্ত্ৰৰ পতনৰ পিছত আহোম ৰাজতন্ত্ৰৰ অৰ্ন্তভূক্ত অঞ্চলত বিপুল ভূমিৰ মালিক জমিদাৰ শ্ৰেণী এটা নাথাকিল। সাধাৰণ খেতিয়াসকলৰ মাজত ক্ষুদ্ৰ, ক্ষুদ্ৰ মজলীয়া, মজলীয়া তৰপৰ খেতিয়কৰ সংখ্যা বেছি। এনে খেতিয়কৰ ৰাহি (Surplus) উৎপাদনৰ পৰিমান তেনেই সীমিত নহয়; যদিও এই ৰাহি পূৰ্বোল্লেখিত "গোলা" কেন্দ্ৰীক ব্যৱসায়ী শ্ৰেণীৰ জৰিয়তে লুণ্ঠিত হয়। আনহাতে প্ৰাক্তন চাহ বনুৱা, পমুৱা, জনজাতি আৰু অনুসূচিত সম্প্ৰদায়ৰ লগতে সাধাৰণ সম্প্ৰদায়ৰ লোকসকলৰ কম ভূমি থকা বা প্ৰকৃতাৰ্থত কৃষি ভূমিহীন কৃষকৰ সংখ্যা অতি বেছি। গতিকে এই শ্ৰেণীৰ দুখীয়া, উপান্ত দিন হাজিৰা কৰা কৃষকৰ অৱস্থা সৰ্বহাৰা শ্ৰমিকৰ সৈতে প্ৰায় একে। জন সংখ্যাৰ এই অংশটো ৩০-৪০ শতাংশৰ কম নহ'ব।

## শেহতীয়া আগ্ৰাসন ঃ

চাহ আৰু তেলৰ চহকী অঞ্চল হিচাপে অসমৰ অৰ্থনীতি হ'ব লাগিছিল চাহ আৰু তেলৰ বাবেই জাকত জিলিকা। কিন্তু চাহৰ ক্ষেত্ৰত আমি দেখা পাওঁ বিদেশী বহুৰাষ্ট্ৰীয় প্ৰতিষ্ঠানসমূহৰ লগতে টাটা, বিৰলা, গোৰেংকা, সুতোদিয়া, জালান, স্বাৰাজপাল ইত্যাদি শক্তিশালী পুঁজিপতি শ্ৰেণীয়ে ক্ৰমান্বয়ে মালিকৰ চৰিত্ৰ সলনি কৰি দিছে। এইটো সমস্যাটোৰ এটা দিশ। আনটো হ'ল এই চাহ বাগিছাৰ শ্ৰমিকসকল ভাৰতৰ আন ঠাইৰ পৰা উচ্ছন্ন কৰি অনা অতি কম দৰ্মহাত (যিটো হাৰ পৃথিৱীৰ ভিতৰতে অতি কম) কাম কৰা লোক। গতিকে এফালে বাহিৰা মালিকসকলে মুনাফা লুট কৰে, আনফালে শ্ৰমিকসকলক দিয়া হয় অতি কম দৰ্মহা। লক্ষ্যণীয় যে অধিক মুনাফাৰ স্বাৰ্থ আগত ৰাখি চাহ মালিক সকলে থলুৱা শ্ৰমিক নিয়োগ নকৰে। আনহাতে, চাহৰ খুচুৰা আৰু পাইকাৰী বজাৰত লিপটন-ব্ৰুকবণ্ডৰ দৰে বৃহৎ বেপাৰী প্ৰতিষ্ঠানৰ পৰা ক্ষুদ্ৰ থলুৱা বেপাৰীৰ প্ৰভাৱ। গতিকে চাহৰ পৰা যিটো লাভ জনসাধাৰণৰ হ'ব লাগিছিলি তাৰ সামান্য অংশ এটাহে প্ৰকৃততে পোৱা গৈছে। চৰকাৰে আনহাতে কৰ আৰু মাটিৰ খাজানা হেৰুৱাইছে কোম্পানীবিলাকৰ মূল কাৰ্যালয় অসমৰ বাহিৰত হোৱা বাবে। ইয়াৰোপৰি প্ৰতি বছৰে বনাঞ্চল আৰু খেতিৰ ভূমি বে-দখল কৰি আহিছে।

খনিজ তেল উদ্যোগ, শোধনাগাৰ, পেট্ৰ কেমিকেল কমপ্লেক্স আদিৰ মোটা দৰমহা পোৱা বিষয়া, ঠিকাদাৰ আদিৰ সামান্য অংশ এটা থলুৱা। এইটো প্ৰায় সকলো উদ্যোগ, নিৰ্মাণ প্ৰকল্প তথা ঠিকা উদ্যোগৰ সাধাৰণ লক্ষণ।

চাহ উদ্যোগকে ধৰি অন্যান্য ব্যক্তিগত খণ্ডৰ উদ্যোগত শেহতীয়া ভাৱে হোৱা বৃহৎ পুঁজিপতি আৰু প্ৰবাসী ভাৰতীয় পুঁজিৰ অনুপ্ৰৱেশে অঞ্চলটোৰ থলুৱা লোক আৰু উদ্যোগপতি শ্ৰেণীৰ সংঘাতৰ চৰিত্ৰ নিৰূপণ কৰিছে। এইটো অনস্বীকাৰ্য যে এই অৱস্থাক বহু তত্ববিদে সদৃশ উপনিবেশ (Qumi-Colonial) আখ্যা দিছে। ই হ'ল অঞ্চলটোৰ শোষনভিত্তিক চৰিত্ৰৰ লক্ষণ। এই লক্ষণটোক অস্বীকাৰ কৰি অদৃশ্য শত্ৰুৰ বিৰুদ্ধে বা ভিত্তিহীন কাল্পনিক শত্ৰুৰ বিষয়ে চৰ্চা কৰি থকাৰ ফলত আমি দেখা পাইছো অসমৰ জনসাধাৰণৰ মাজত মিছা সাম্প্ৰদায়িকতা আৰু গোষ্ঠী সংঘৰ্ষই শিপা মেলিছে। সাম্প্ৰাদয়িকতা আৰু গোষ্ঠীগত চিন্তাৰ প্ৰসাৰ ঘটাত উল্লিখিত ব্যৱসায়ী, উদ্যোগী গোষ্ঠীটোৱে ভালেখিনি প্ৰভাৱ বিস্তাৰ কৰিছে, কাৰণ, সাম্প্ৰদায়িকতা দূৰ হ'লেই প্ৰকৃত শোষণভিত্তিক লক্ষণসমূহ জনতাৰ চকুত ধৰা পৰিব আৰু প্ৰকৃত শত্ৰুৰ বিৰুদ্ধে আন্দোলন হ'ব।।

OKDISCD

# [ঘ]

# অগপৰ ব্যৰ্থতা

## অগপ দলৰ কাৰ্য-কলাপ আৰু অসমৰ ভৱিষ্যত ঃ

অগপ দলে ইয়াৰ প্ৰস্তুতি পৰ্বতে ঘোষণা কৰা মতে এই দলটো হ'ল এটা সৰ্বভাৰতীয় দৃষ্টি ভংগীসম্পন্ন আঞ্চলিক দল (Regional Party with Indian Outlook) গতিকে আঞ্চলিক দল হিচাবে ইয়াৰ এটা সুকীয়া শ্ৰেণী ভিত্তি (Class-base) নাই। ই অসমীয়া শিক্ষিত জাতীয় দৃষ্টি ভংগী সম্পন্ন এচাম লোকক প্ৰতিনিধিত্ব কৰে, যি লোক চামে অসমীয়া শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ সংৰক্ষিণী আদৰ্শ আৰু আৰ্থ-সামাজিক বিকাশৰ ওপৰত গুৰুত্ব দিয়ে। অগপ দলে যদিও "আত্মনিয়ন্ত্ৰণৰ অধিকাৰ"ৰ কথা নিৰ্বাচনী ঘোষণা পত্ৰত কৈছে, এই আত্মনিয়ন্ত্ৰণৰ অধিকাৰ মাত্ৰ এক শব্দৰ কাৰচাজি। ই দলটোৱে বৰ্তমানলৈকে কৰা কাম-কাজ আৰু গ্ৰহণ কৰা ব্যৱস্থা সমূহৰ জৰিয়তে প্ৰমাণিত হৈছে যে দলটোৱে বিচাৰে ভাৰতৰ ভিতৰতে এক সুকীয়া অস্তিত্ব লৈ বৰ্ত্তি থাকি এটা যুক্তৰাষ্ট্ৰীয় আৰ্হিৰ চৰকাৰ (Federal Government)ৰ পোষকতা কৰা। আত্মনিয়ন্ত্ৰণৰ অধিকাৰ মানে কেৱল সামান্য যুক্তৰাষ্ট্ৰীয় সা-সুবিধাকে নুবুজাই, ই বুজাই সংযুক্ত আৰ্হিৰ ব্যৱস্থা য'ত নিজৰ ইচ্ছামতে সংযুক্ত হোৱা বা বিছিন্ন হোৱাৰ অধিকাৰ। অৰ্থাৎ সংযুক্ত আৰ্হিৰ ব্যৱস্থা এটা প্ৰতিষ্ঠা হ'লেই ই জাতিটোৰ সৰ্বাত্মক বিকাশৰ বাবে পৰিবেশ ৰচনা নকৰে। তেনে এটা পৰিবেশ ৰচনা হ'ব পাৰে যদিহে স্বেচ্ছামুলক সংঘ (voluntary Union) গঠনৰ সুবিধাসমূহ থাকে, সামৰিক পদ্ধতিৰে, ঐক্যৰ নামত এটা ঔপনিবেশিক ব্যৱস্থা জীয়াই ৰখা নহয়।

অৰ্থাৎ, আত্মনিয়ন্ত্ৰণৰ অধিকাৰ (Right of self Determination) হ'ল নিজৰ ইচ্ছাৰে জাতি সত্বাই ঐক্যবদ্ধ হোৱাৰ বা (বিছিন্ন হোৱাৰ) অধিকাৰ বাদ দি কেৱল সংঘীয় ব্যৱস্থাপনাৰ মাজত থাকিব নোৱাৰে। সংঘীয় আৰ্হিৰ ভিতৰত থাকিও যদি এটা জাতিয়ে ইচ্ছামতে ৰাষ্ট্ৰসংঘৰ সদস্যপদ গ্ৰহণৰ সুবিধা লাভ কৰে, আন্তৰ্জাতিক সম্পৰ্ক প্ৰতিষ্ঠা, সেনা-বাহিনী নিয়ন্ত্ৰণ আৰু পৰিচালনা বা ব্যৱহাৰৰ অধিকাৰ লাভ কৰে তেন্তে ই হ'ব স্বেচ্ছামুলক ভাৱে ঐক্যবদ্ধ হোৱা তথা বিছিন্ন হোৱাৰ অধিকাৰৰ সম পৰ্যায়ৰ। এইবোৰ অধিকাৰ বাদ দি কেৱল কিছু অৰ্থনৈতিক সা-সুবিধা বিচৰাৰ জৰিয়তে স্বায়ত্বতাৰ মূল আধাৰটোকে নিঃশেষ কৰি দিছে অগপ দলে।

ঐতিহাসিক ভাৱে ১৯৮৫-১৯৯০ চনৰ ভিতৰত প্ৰথমবাৰ আৰু ১৯৯৬ চনত

দ্বিতীয়বাৰৰ বাবে অগপ দলে অসমীয়া জাতিটোক নেতৃত্ব প্ৰদানৰ অধিকাৰ আৰু অসমত ৰাজ্য চৰকাৰ গঠনৰ অধিকাৰ নিৰ্বাচনৰ জৰিয়তে পাইছে। কিন্তু এই প্ৰাপ্ত অধিকাৰ সু-প্ৰয়োগৰ জৰিয়তে ভাৰতৰ সংবিধান সংশোধন তথা এটা প্ৰকৃত সংঘীয় ৰাষ্ট্ৰ গঠনৰ ৰাজনৈতিক আন্দোলন এই দলটোৱে আগবঢ়াই নিব পৰা নাই। এইটো অগপ দলৰ ঐতিহাসিক ব্যৰ্থতা। শেহতীয়া ভাৱে অসম বিধান সভাত এটা শিথিল ভাৱে ৰচনা কৰা প্ৰস্তাৱৰ জৰিয়তে ভাৰতৰ সংবিধান সংশোধন আৰু এটা সংঘীয় আৰ্হিৰ ৰাষ্ট্ৰীয় ব্যৱস্থা গঢ়ি তোলাৰ দাবী তোলা হৈছে। ১৯৮৫-৯০ চনৰ ভিতৰত কৰা সম্পূৰ্ণ অৱহেলা আৰু বৰ্তমানো মাত্ৰ বিধান সভাৰ জৰিয়তে এটা প্ৰস্তাৱ উত্থাপন (তাকো বেচৰকাৰী) কৰাৰ জৰিয়তে কিদৰে ঐতিহাসিক দায়িত্ব পালন কৰিব পৰা যাব?

অগপ দলে প্ৰকৃতাৰ্থত বৈধ ৰাজনৈতিক আন্দোলনৰ জৰিয়তেই সংযুক্ত ৰাষ্ট্ৰীয় আৰ্হিৰ দাবীত এটা শক্তিশালী ৰাজনৈতিক আন্দোলন গঢ়ি তুলিব পাৰিলেহেঁতেন। ৰাজনৈতিক জীৱনত তেনে এটা সংগ্ৰামী ৰাজনৈতিক ভূমিকা অগপ দল তথা চৰকাৰে এতিয়াও গ্ৰহণ কৰা নাই।

আনহাতে অগপ দলে এটা আঞ্চলিক দল হিচাপে অঞ্চলটোৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু গোষ্ঠীগত সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰতো কোনো ধৰণৰ বলিষ্ঠতা প্ৰদৰ্শন কৰিব পৰা নাই। এটা যথোপযুক্ত কৃষি নীতি, উদ্যোগ নীতি, নিয়োগ নীতি তথা বিনিয়োগ আৰু উন্নয়নৰ সুনিৰ্দিষ্ট কৌশলৰ অভাৱত, অগপ দলৰ ওপৰত স্থাপন কৰা আস্থা ক্ৰমান্বয়ে হতাশাৰে পৰ্যবসিত হৈছে। এইবোৰ ক্ষেত্ৰত নীতিগত বাস্তৱতা যিদৰে নাই ঠিক সেইদৰে সামান্যতম যুগোপযোগী সক্ৰিয়তাও নাই।

আতাইতকৈ ডাঙৰ কথা, বৰ্তমান সময়ত অসমৰ বিভিন্ন জনগোষ্ঠীৰ আন্দোলন তথা জাতীয় মুক্তি বিচৰা সশস্ত্ৰ সংগ্ৰামীসকলৰ আন্দোলনৰ ক্ষেত্ৰত অগপ দল আৰু চৰকাৰে এটা বাস্তৱসন্মত ভূমিকা, ৰাজনৈতিক সমাধানৰ বাবে, গ্ৰহণ কৰা নাই।

অগপ দল তথা চৰকাৰৰ দুৰ্বলতাবোৰ চি পি আইৰ দৰে সাংবিধানিক গণতন্ত্ৰত আস্থা স্থাপন কৰা সংশোধনবাদী দলবোৰৰ সৈতে প্ৰায় একে ধৰণৰ হৈ পৰিছে। এই দলবোৰৰ ৰাষ্ট্ৰচৰিত্ৰ সম্পৰ্কে ধাৰণাৰ অভাৱ। অৰ্থনৈতিকভাৱে প্ৰভাৱশীল বৃহৎ পুঁজিবাদী গোষ্ঠী, সামৰিক, অৰ্দ্ধ সামৰিক আৰু আৰক্ষী বাহিনী, পূৰ্বৰ সংবিধান, ঔপনিবেশিক যুগৰ অৱশিষ্টৰ আধাৰত প্ৰতিষ্ঠিত ফৌজদাৰী আৰু দেৱানী আইনসমূহ তথা ৰাষ্ট্ৰৰ আন এক উপাদান আমোলাতন্ত্ৰ অপৰিবৰ্তিত থকা অৱস্থাত এই দ'লবোৰে কেইটামান বিধান সভা আৰু লোকসভা সমষ্টি দখল কৰাৰ জৰিয়তে ৰাজনৈতিক ক্ষমতা দখল সম্পূৰ্ণ হোৱা বুলি ধৰি লৈ মন্ত্ৰীপদ চম্ভালিবলৈ আগবাঢ়ে। ইয়াৰ পৰিণতি স্বৰূপে এই দলৰ (দলবোৰৰ) ৰাজ্যত বা কেন্দ্ৰত চৰকাৰ হয়; কিন্তু নিজৰ ঘোষিত লক্ষ্য মতে একো কাম কৰিব নোৱাৰে।

নির্বাচিত চৰকাৰটোৰ ক্ষমতা আৰু শাসক (আৰ্থ সামাজিক) শ্ৰেণী ক্ষমতা ভিন্ন চৰিত্ৰৰ হোৱাৰ বাবে নির্বাচিত চৰকাৰটোৱে ধীৰে ধীৰে শাসক শ্ৰেণীৰ পদাংক অনুসৰণ কৰি তেনে শ্ৰেণীবোৰৰ ক্ৰীতদাসত পৰিণত নাইবা তেনে শ্ৰেণীৰ আদেশ-নির্দেশত উঠা-বহা কৰিবলৈ লয়। অগপ দলৰ অৱস্থাও ঠিক তেনে হৈছে। নির্বাচনৰ আগতে কৰা ঘোষণা - যথা আত্মনিয়ন্ত্ৰণৰ অধিকাৰ, সামৰিক বাহিনী প্ৰত্যাহাৰ, স্বাৱলম্বী অৰ্থনীতি গঢ়ি তোলাৰ শ্লোগান — এইবোৰ ফুটুকাৰ ফেনত পৰিণত হৈছে।

আনকি অগপ চৰকাৰে বহু চৰ্চিত বিদেশী অনুপ্ৰৱেশ বন্ধ কৰা আৰু বিদেশী বহিস্কাৰ কৰাৰ ক্ষেত্ৰতো কোনো ধৰণৰ বলিষ্ঠতা প্ৰদৰ্শন কৰিব পৰা নাই। কাৰণ, স্থানীয় জন-সাধাৰণৰ ন্যাৰ্য স্বাৰ্থৰ লগত অতি নিৱিড় ভাৱে সাঙোৰ খাই যুঁজ কৰিলে দিল্লীৰ ক্ষমতাৰ ভাগ পোৱা তথা দিছপুৰত ক্ষমতাধিষ্ঠিত থকাটো অসম্ভৱ হৈ পৰিব বুলি ভৱা হৈছে। কিন্তু এনেসুবিধাবাদী নীতিৰে যে প্ৰকৃততে জাতীয় স্বাৰ্থক বিশ্বাসঘাতকতা কৰা হৈছে; এই কথা বুজিও নুবুজাৰ ভাও ধৰা হৈছে।

এই বোৰ কাৰণতে আমি আজি ক'ব পাৰোঁ যে অগপ হৈ পৰিছে জাতীয় প্ৰতিশ্ৰুতিৰে ৰাইজক মোহাচ্ছন্ন কৰি জয়লাভ কৰা এক জাতীয় সুবিধাবাদী দল। "জাতীয়তাবাদ" এনে দলৰ হাতত পৰি ঐতিহাসিক উত্তৰণৰ সামজিক আদৰ্শ হৈ থকা নাই, বৰং নির্বাচনী জয়লাভ আৰু ক্ষমতা দখলৰ হাথিয়াৰ হৈহে পৰিছে। ঔপনিবেশিক শক্তিসমূহ, বৃহৎ পুঁজিপতি গোষ্ঠী তথা অঞ্চলটোৰ সুবিধাবাদী অংশটোৰ লগত হাত মিলাই ৰাজনৈতিক আৰু বৈষয়িক সুযোগ সুবিধা ভোগ কৰাৰ অভিলাস প্ৰবল হোৱা বাবে এই দল হৈ পৰিছে জাতীয় প্ৰগতিৰ স্বকীয় বৈশিষ্ট্যহীন এটা গতানুগতিক আঞ্চলিক দল। গতানুগতিকতাৰ পৰা মুক্ত নোহোৱা বাবেই এইদলে সেনা, অৰ্দ্ধ-সামৰিক বাহিনী আৰু আৰক্ষী প্ৰয়োগ, বিদেশী আৰু বৃহৎ পুঁজিপতিৰ বিনিয়োগ আৰু অৰ্থলোলুপ লোকৰ সমৰ্থনৰ ওপৰত মাত্ৰাধিক জোৰ দিছে। ইয়াৰ ফলতে সৃষ্টি হৈছে অসমৰ আৰ্থ-ৰাজনৈতিক আৰু সামাজিক সংকটৰ।

## [ঙ]

## অসমৰ সাম্প্ৰদায়িক দল আৰু সংগঠনবোৰ

অসমৰ সাম্প্ৰদায়িক দলবোৰক আমি তলত দিয়া ধৰণে বিভক্ত কৰিব পাৰোঁ।

ক) ধৰ্মীয় সংকীৰ্ণতাবাদী তথা সম্প্ৰসাৰণবাদী

খ) নৃগোষ্ঠীগত আধিপত্যবাদী তথা পুনৰুত্থানবাদী

গ) ভাষিক সংকীৰ্ণতাবাদী তথা সম্প্ৰসাৰণবাদী আৰু

ঘ) জাতিভিত্তিক (Caste based) পশ্চাদমুখী সংকীৰ্ণতাবাদী।

এই কথা দোহৰা নিষ্প্ৰয়োজন যে এনে সংকীৰ্ণ আৰু পুনৰুত্থানবাদী সংগঠনৰ

OKDISCD

জন্মৰ মূলতে হ'ল একালৰ সামন্তবাদৰ অৱশেষৰ জীয়াই থকাৰ প্ৰয়াস আৰু বৃহৎ জাতি তথা সম্প্ৰদায়ৰ সম্প্ৰসাৰণবাদী মনোবৃত্তি। দুয়োটাৰ বিৰুদ্ধেই জনসাধাৰণ সচেতন হোৱা ভাল। ধৰ্মীয় সংকীৰ্ণতাবাদী হিন্দু, মুছলমান আৰু খৃষ্টান — তিনিওটা ধৰ্মৰ মাজতে আছে। হিন্দু সম্প্ৰসাৰণবাদী তথা সাম্ৰদায়িক শক্তিসমূহ মূলত ঃ সৰ্বভাৰতীয় সাম্প্ৰাদায়িক দলৰ ছত্ৰছাঁয়াত মূৰ দাঙি উঠিছে। ভাৰতীয় জনতাপাৰ্টী এই সাম্প্ৰদায়িক প্ৰৱণতাৰ মূল প্ৰৱক্তা আৰু ভাৰতীয় উদ্যোগী তথা ব্যৱসায়ী শ্ৰেণীৰ এটা অংশ আৰু গ্ৰাম্য সামন্তবাদী আদৰ্শৰ ধেমাধৰা একশ্ৰেণী এই ধৰ্মীয় সাম্প্ৰদায়িক চিন্তাৰ প্ৰৱক্তাৰূপত। (হিন্দু সুৰক্ষা বাহিনী (A) এই প্ৰৱক্তা সকলৰ পৃষ্ঠপোষকতাতেই হিন্দু সুৰক্ষা ৰাহিনী নামৰ সামাজিক ফেচীবাদী সংগঠন গঢ় লৈ উঠিছে।

আনহাতে হিন্দুত্ববাদী শক্তিৰ বিপৰীতে মুছলমান সকলৰ মাজতো গোড়া মৌলবাদী সকলে কিছুমান সশস্ত্ৰ সামাজিক ফেচীবাদী সংগঠন গঢ়ি তুলিছে।

বৃটিছ শাসনৰ দিনৰেপৰা উত্তৰ পূৰ্বাঞ্চলত খৃষ্টান মৌলবাদী সকলে খৃষ্টান গৃহভূমি নিৰ্মাণৰ বাবে ষড়যন্ত্ৰমূলক ভাৱে কাৰ্য কৰি আছে। এই ক্ষেত্ৰত দেশ-বিদেশৰ খৃষ্টান মিছনেৰীসকলে অসম তথা উত্তৰ পূৰ্বাঞ্চলত জনজাতি সকলক দ্ৰুতগতিৰে ধৰ্মান্তৰীত কৰি পৰম্পৰাগত অসমীয়া সমাজখনৰ পৰা ফালি নিবৰ বাবে অহৰহ ষড়যন্ত্ৰ কৰি আছে ।

সেইদৰে মংগোলীয়সকলে অসম তথা উত্তৰ পূৰ্বাঞ্চল আৰু বাৰ্মা (ম্যানমাৰ) আদি সমগ্ৰ দক্ষিণ পূৰ এচিয়াত বৃহত্তৰ মংগোলীয়বাদী ৰাষ্ট্ৰ গঠনৰ বাবে নানা ধৰণৰ সশস্ত্ৰ আৰু কুটাঘাতমূলক কাৰ্য-কলাপ চলাই আছে।

নৃগোষ্ঠীগত (Ethenical) সাম্প্ৰদায়িক চিন্তাৰ ক্ষেত্ৰত আমি দেখা পাইছো মংগোলীয়, অমংগোলীয় তথা জনজাতি অজন-জাতিৰ পাৰ্থক্যৰ ওপৰত জোৰ দি সংকীৰ্ণ ৰাজনীতি কৰা এচাম বিভ্ৰান্ত লোকৰ অৰিহণা প্ৰৱল। বিভিন্ন নিৰ্বাচনমুখী দলৰ ভোট যুদ্ধৰ আখৰাই মূলতঃ এই নৃগোষ্ঠীগত চিন্তা জাত আৰু ভাষাভিত্তিক চিন্তাৰ মূল উত্তেজক কাৰ্য। নিৰ্বাচনত জয়ী হ'বৰ বাবে কৰা সংকীৰ্ণ প্ৰচেষ্টাই সাধাৰণতে বিভিন্ন জনগোষ্ঠীৰ লোকৰ মাজত নৃগোষ্ঠী, জাত আৰু ভাষাৰ চেতনা বঢ়াইছে আৰু সুবিধাবাদী ভাৱে এই চেতনাক কামত লগোৱা হৈছে। এই কথা বহলাই কোৱাৰ প্ৰয়োজন নাই যে কংগ্ৰেছৰ পৰা আৰম্ভ কৰি চি পি আই (এম এল) লৈকে প্ৰায় সকলো নিৰ্বাচনমূখী দলে জাত, ভাষা আৰু নৃগোষ্ঠীগত পাৰ্থক্যক লৈ হেতালি খেলে।

শেহতীয়া ভাৱে জনজাতিবোৰক সুকীয়া সুকীয়া ভাৱে সাম্প্ৰদায়িক নেতৃত্ব প্ৰদান কৰি, অৰ্থাৎ সুকীয়া ভাৱে অবিকশিত জাতিসত্বাৰ সমস্যা সমাধানৰ চেষ্টা কৰি, সমস্যাৰ মূল কেৰোণ দূৰীকৰণৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰাৰ বাবে মূলতঃ তথাকথিত বিপ্লৱী নামধাৰী দল আৰ্মকা আৰু চি পি আই (এম. এল) দায়বদ্ধ। এই দুটা সংগঠনে আন

OKDISCD

জনগোষ্ঠীৰ পৰা ভিন্ন ভাৱে প্ৰতিটো জনজাতিৰ সমস্যা সমাধানৰ বাবে (বা বিকৃত ৰূপত স্বনিয়ন্ত্ৰণৰ দাবী কাৰ্যকৰী কৰিবলৈ) প্ৰচেষ্টা কৰা বাবে শেষত প্ৰতিটো জনগোষ্ঠীৰ পুনৰুত্থানবাদ হৈ পৰিছে উগ্ৰ, সাম্প্ৰদায়িক আত্মবিধ্বংসী। বড়ো, মিচিং, তিৱা, কাৰ্বি আদি প্ৰতিটো জনগোষ্ঠীৰ মাজতে এই প্ৰৱণতা বিদ্যমান। আন আন সম্প্ৰদায়ৰ মাজতো এনে ধৰণৰ বিভেদকামী চিন্তাৰ বীজ মেলি দিয়া হৈছে।

অকল এয়ে নহয়, প্ৰতিটো অন্য জাত (Caste) ৰ মাজত অনৈক্য সৃষ্টিৰ এটা সাম্প্ৰদায়িক প্ৰয়াস অসমত বিদ্যমান। এই প্ৰচেষ্টাত বামুণ আৰু কলিতাৰ বিৰুদ্ধে অন্য সম্প্ৰদায়ৰ লোকক উচটনি দিয়া সমাজিক ফেচিবাদী চৰিত্ৰৰ উল্লিখিত দলবোৰ জগৰীয়া।

অগপ আৰু সদৌ অসম ছাত্ৰ-সন্থা এই ক্ষেত্ৰত -ভাষিক আৰু ধৰ্মীয় — এই দুয়ো ধৰণৰ সাম্প্ৰদায়িক চিন্তাৰ মাজে মাজে প্ৰভাবান্বিত হয়। ইয়াৰ বিপৰীতে অসমৰ বঙালী আৰু সংখ্যালঘু (ধৰ্মীয় আৰু ভাষিক) সংগঠনসমূহ আছে — যি সামাজিক ভাৱে সংকীৰ্ণ দৃষ্টিভংগীৰে একোটা সংগঠন গঢ়ি তুলিছে সংকীৰ্ণ ৰাজনৈতিক মুনাফা লুণ্ঠনৰ বাবে। এনেবোৰ সংগঠনৰ মাজৰ পৰাই জন্ম হৈছে একো-একোটা নতুন (মালফাৰ দৰে) সামাজিক ফেছিবাদী সংগঠন। যিবোৰক ভাৰতীয় জনতাপাৰ্টীৰ "সংঘ পৰিবাৰ"ৰ অন্তৰ্ভূক্ত গোড়া লাঠিদাৰ বাহিনীৰ লগতহে ৰিজাব পাৰি।

এই সকলোবোৰ সাম্প্ৰদায়িক সংগঠনে মিলি অসমক পৰিণত কৰিব খুজিছে এটা ধ্বংসস্তুপত। অসাম্প্ৰদায়িক দল তথা সংগঠনসমূহৰ বাবে এইটো বৰ্তমান হৈ পৰিছে প্ৰধান প্ৰত্যাহবান ।।

..................................

OKDISCD